# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY 1971

Budget Session

Volume 1. No. 2

The 10 th March 1971

**Contents :**


1. Starred Questions And Answers 1—27
2. Obituary Reference to the demise of : 28
   (i) Shri Dhani Ram Talukdar, Ex-M.L.A
   (ii) Shri Tajuddin Ahmed, Ex-M.L.A
   (iii) Shri Sashadhar Ghose, Ex-M.L.A
   (iv) Shri Hemanta Kumar Basu, President, Forward Block,
   (v) Shri Bejoyananda Chatterjee, Vice-President, West Bengal Pradesh, Congress Committee.
   (vi) Dr. K.M. Munshi, Ex-Governor, Uttar Pradesh
   (vii) Shri Nath Pai, M.P.
   (viii) Dr. Prasanna Chandra Goswami, Principal, Cotton College.
3. Announcement by the Speaker : 42
   (i) Resignation by Shri Dev Kant Borooah, M.L.A
   (ii) Report of the Business Advisory Committee,
   (iii) Constitution of : Panel of Chairmen, Committee on Petitions, Committee of Privileges and the House Committee.
4. Strike at the Medical College. 44
5. Adjournment Motion re : Mid-term Election at Jorhat 44
6. Re : Strike at the Gauhati Medical College 58—71

7. Leave of Absence to Member...... 71—72
8. Vote on Accounts for the first quarter of the financial year 1971-72 73—75
9. Supplementary Demand for Grants for 1970-71
10. Excess Demand for Grants for 1965-66
11. Extension of time for submission of the Report of the Select Committee on the Gauhati Municipal Corporation Bill, 1969
12. Extension of time for submission of the Report of the Select Committee on the Assam (Temporarily Settled Areas) Tenancy Bill, 1970
13. Extension of time for submission of the Report of the Select Committee of the Assam Separation of Judicial and Executive Functions Bill, 1969
14. Extension of time for submission of Report of the Privileges Committee
15. Discussion on a matter of urgent public importance for short duration— Rising prices of food articles in Assam
16. Debate on the Governor's Address 75—89

**PROCEEDINGS OF THE ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

The Assembly met in the Assembly Chamber, Shillong, at 10 A.M. in Wednesday, The 10 th March, 1971.

**PRESENT**

Shri Mohi Kanta Das, M.A., B.L., Speaker, in the Chair, Thirteen Ministers, Eight Ministers of State, two Deputy Ministers and forty two Members.

## STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

### Re : Dibrugarh University

Shri Maneswar Boro asked :

1. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that a meeting of Dibrugarh Univer sity Court was held in the month of December, 1970 under the presidentship of Dr, B. R. Seth, Vice-Chancellor of the University ?

(b) Whether it is a fact the Members of the Court had demanded to make a high power judicial enquiry to enquire into the various irregularities of Dibrugarh University ?

(c) If so, what are the various irregularities in Dibrugarh University ?

(d) What action has been taken by the Government in respect of removing the various irregularities of the Dibrugarh University ?

(e) Whether any high power judicial enquiry was made in this regard ?

Shri Mahendra Mohan Choudhury (Chief Minister) replied :

1. (a) —Yes, on December 3, 1970.

(b) —No.

(c) (d) & (e) —Do not arise.

REFERENCE
(Not for issue)
Reading Only Inside Library



Shri Maneswar Boro : এইটো কথা সঁচা নেকি যে লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাৰ ভিতৰতে ডিব্ৰুগড় বিশ্ববিদ্যালয় সীমাবদ্ধ। যদি হয় তেতিয়া হ'লে চিলচৰ Regional Engineering College ক কেনেকৈ Affilation দিলে ?

Shri Mahendra Mohan Choudhury : চিলচৰ ৰেজিওনেল ইনজিনিয়াৰিং কলেজৰ কথা মই কব নোৱাৰো। কিন্তু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কথা চালে কব পাৰিম।

Shri Maneswar Boro : এইটো কথা সঁচা নেকি যে ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ৰ শিক্ষক, অফিচাৰ সকলে ঘৰলৈ যাবলৈ পৰিয়াল সহ ভ্ৰমণ বানচ পায় ?

Shri Mahendra Mohan Choudhury : বিশ্ববিদ্যালয় বিলাকৰ নিজস্ব Financial Rule আছে। যোনে যি মতে বিচাৰে সেই মতেই পাব পাৰে।

Shri Maneswar Boro : এইটো কথা সঁচা নেকি যে ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ৰ Registar জনৰ এতিয়াও Appointment হোৱা নাই। উপাচাৰ্য্যয় নিজেই চলাই আছে। উপাচাৰ্য্যও বহুত সময়ত উপস্থিত নাথাকে ?

Shri Mahendra Mohan Choudhury : Registrar-ৰৰ কাম চলাইছেনে নাই নাজানো। তেওঁলোকে এখন Selection কমিটি পাতি দিছে। যি কোনো কাৰণেই নহওক Appointment এতিয়ালৈকে হোৱা নাই।

Shri Dulal Chandra Barua : Sir, may I know from the Hon'ble Chief Minister whether it is a fact that an Enquiry Committee was instituted in the year 1968, and that the Enquiry Committee had submitted a report to the Govt. pointing out anomalies in financial matters and also corruption, nepotism and favouratism, which had been creeping in the University. If so, whether Govt. has taken any action on the recommendations of the Committee? If not, why?

Shri Mahendra Mohan Choudhury : I do not know the position exactly because this thing has not come up to my

notice. I can enquire and let the Hon'ble Members know.

Shri Dulal Chandra Barua : This report was placed before the House and the House also discussed it. May I know whether Govt. has taken any action on the reported irregularities pointed out by the Committee ?

Shri Mahendra Mohan Choudhury : So far my information goes no action has been taken but I am not sure about it.

Shri Dulal Chandra Barua : If that is so then how can the Chief Minister could say that there were no anomalies committed by the Vice-Chancellor ?

Shri Mahendra Mohan Choudhury : The question was with reference to a proceeding of a certain meeting held on 3rd of December, 1970. For the information of the Hon'ble Members I may lay the entire proceedings on the table of the House.

Shri Sailen Medhi : The Hon'ble Chief Minister has stated that the enquiry referred to by Shri Maneswar Boro related to the Court meeting held on 3rd December, 1970 ; but actually (b) is an independent question. The question is whether it is a fact that the Members of the Court had demanded to make a high power judicial enquiry to enquire into the various irregularities of Dibrugarh University ? And the Chief Minister has stated 'no'. Shri Dulal Chandra Barua has stated that there was an Enquiry Committee and that the report of the Committee had been placed before the House and the Government but the Chief Minister has misled the House by saying 'no'. I want to know whether any action was taken ?

Shri Mahendra Mohan Choudhury : Question (b) is in reference to question (a). Question (a) says 'Whether it is a fact that a meeting of Dibrugarh University Court was held in the month of December, 1970, under the presidentship of Dr. B.R. Seth, Vice-Chancellor of the University ? Question (b) is Whether it is a fact that the Member of the Court had demanded to make a high power judicial enquiry to enquire into the various irregularities of Dibrugarh University ? Thus it would appear, Sir, that these two questions are corelated. As regards Shri Barua's supplementary, it is an independent question. He has referred to the Enquiry Committee Report.

Shri Dulal Chandra Barua : This report was discussed in the House. The discussion was initiated by Honble member Shri Debeswar Sarma. Then how the Chief Minister could escape by saying 'no'.

Shri Mahendra Mohan Choudhury : The report was placed before the House and it was dicussed. What I said is that I do not know the decision the House took in the matter. But the questions put are co-related to the proceedings of the Court meeting held on 3rd December, 1970.

Shri Sailen Medhi : Not necessarily. It is a separate question. It is an independent question. The question is whether irregularities were there, and if so, whether Government has taken any action to remove those irregularities. It is a general question and it has got no relation to question (a). So the Chief Minister should have come with facts and figures and placed them before the House.

Shri Mahendra Mohan Choudhury : The Enquiry Committee report of 1968 has no bearing in this question. The question is independent of that report. It concerns with the proceedings of 3rd December, 1970.

Shri Phani Bora : Question (b) is Whether it is a fact that the Members of the Court had demanded to make a high power judicial enquiry to enquire into the various irregularities of Dibrugarh University ? When it refers to the various irregularities these irregularities do not refer only to the meeting of the 3rd December, 1970, these irregularities refer in general. In this view of the matter Government sould have been posted with the facts of irregularities with regard to the Dibrugarh University. The Chief Minister in his wisdom wants to escape the responsibility by linking up question (b) with (a). This is not fair. I want to have a ruling from the Chair. The Chief Minister wants to escape by linking up (b) with (a).

Mr. Speaker—No. (a) refers to the meeting held in December, 1970 under the presidentship of the Vice-Chancellor. No. (b) says whether it is a fact the Members of the Court had demanded to make a high power judicial enquiry to enquire into the various irregularities of Dibrugarh University, and No. (c) says—if so, what are the various irregularities in Dibrugarh University ? They refer, to my mind, to the meeting of December, 1970.

Shri Dulal Chandra Barua—No, Sir, we do not accept...

(Voices from Opposition)

Shri Mahendra Mohan Choudhury, (Chief Minister)—Sir, if you so direct and the hon. Members are keen to know ab-

out the action taken on the 1968 Report and a separate question is put, I am prepared to answer later on, not to-day. Because, Sir, these questions (b) and (a) are co-related to question (a), as your honour has rightly ruled.

Shri Dulal Chandra Barua : Sir, Does the hon. Chief Minister want to say that there are no irregularities ? The correct reply by the Chief Minister would have been that there was an Enquiry Committee which had made certain recommendations in regard to the irregularities. Sir, there are irregularities and so an Enquiry Committee was instituted. It had submitted a report to the Government as well as to this House. Now again there was a demand to appoint a high power judicial enquiry commisnon by the Members of the Court. This has been published in the newspaper also. Now if the Chief Minister wants to escape by saying that there are no irregularities, we cannot agree to it. We want to see the proceedings of the meeting (held in December, 1970). The Chief Minister cannot evade it, because the then Minister may not be here now, but the machinery is in existence. When the House had discussed the matter and recommended action to be taken against certain persons at fault, we want to know what action Government has taken against those persons and also to remove the irregularities.

Mr. Speaker : As the Chief Minister has already stated the replies refer to the meeting mentioned under (a), which was held in December, 1970. As regards the irregularities referred to in the 1968 Report, he has already stated that he will be able to say about them and what

action the Government has taken thereon afterwards.

Shri Hiralal Patwary : মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে যে ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ দিয়া ২৭ লাখ টকাৰ ১৭ লাখ মাটি কিনা বাবে Payment দিয়া দেখুৱাইছে আৰু বাকী ১০ লাখ টকাৰ কি হিচাব পাইছে ? আৰু এই সংক্ৰান্তত কিবা তদন্ত কৰিছে নে ?

Shri Mahendra Mohan Choudhuri : এই প্ৰশ্নটো বেলেগে প্ৰশ্ন সুধিলে উত্তৰ দিব পৰা হব।

Shri Hiralal Patwary : Irregular শব্দটো আছে যেতিয়া এই কথাটো উঠে কিয়নো ......

Sir, there are various irregularities and that the Dibrugarh University has purchased a plot of land at a cost of Rs. 17 lakhs but the actual payment was shown as Rs. 27 lakhs is one of the irregularities. Since this Rs. 27 lakhs has been obtained from the Government coffer, we have a right to know about it. There is suspicion that this Rs. 10 lakhs has been paid to the election fund.

Shri Mahendra Mohan Choudhury : Sir the Dibrugarh University is an autonomous body created under a Statute passed by this House. Under that Statute, they have framed their own financial rules and under those rules all their financial transactions are made. Now, if there is anything wrong, the University Authority is there to look into it. I have already stated that there was an Enquiry Commission in 1968, which had submitted a report, and I remember that the report was discussed in the House. Sir, if a separate question is put in regard to that and some time is given to me. I shall be able to give all the details and reply to the questions put by the hon. Members.

Shri Premadhar Bora : Sir, a news item regarding

demand of Judicial Enquiry into the irregularities of the Dibrugarh Univeresity appeared in the Assam Tribune dated December 17, 1970, under the caption Dibrugarh University—Judicial Inquiry into various irregularities Demanded. It reads "A high power judicial inquiry into various irregularities in Dibrugarh University was demanded by several members in course of their speeches in the meeting of Dibrugarh University Court which met here recently under the chairmanship of Dr. B. R. Seth, Vice-Chancellor of the University. It may be recalled that ever since the inception of Dibrugarh University reports on various administrative and financial anomalies in the University have come to light and thorough probe into the affairs have been voiced in the Press from time to time.

" A member was reported to have remarked in the meeting which was not open to Press that the Dibrugarh University did not appear to have any administration at all and reports that had appeared in the Press on various anomalies in academic, administrative and financial matters were not without any basis."...

Mr. Speaker : The question before the House refers to the meeting held in December, 1970.

Shri Dulal Chandra Barua : Sir, how the Chief Minister can say that there is no demand for enquiry. What the proceedings say ?

Shri Mahendra Mohan Choudhury : Sir, I have already submitted the proceedings to your honour.

Shri Dulal Chandra Barua : Sir, there were instances that proceedings were manipulated.

Shri Phani Bora : Sir, since this newspaper is widely circulated in the State and since in that particular newspaper the proceedings of the said meeting were published and since there is no contradiction against the report, what is published in the newspaper must be accepted as correct. If there was no mention about it in the proceedings and the news item was also not contradicted, there is reason to doubt that the proceeding was manipulated. I want to know whether Government attention was drawn to this news-item. If Government is aware of what was published in the newspaper, what is their reaction. The affairs of the Dibrugarh University being very controversial and since these were discussed in this House many times and there was an Enquiry Committee whose recommendations were circulated in this House and a report is published in the newspaper, how the Government now say that they are not aware of the irregularities.

Shri Mahendra Mohan Choudhury : Sir, there was wrong statement in the newspaper and when Government's attention was drawn, it has asked the University Authority to issue a contradiction and the proceeding of the meeting was called for.

Dr. Bhupen Hazarika : Sir, is there any mention in the proceedings about the irregularities ?

Shri Mahendra Mohan Choudhury : There is some mention about some irregularities in regard to T.A., appointment, etc. But the point in the question is whether a Judicial Enquiry to look into the irregularities was ever proposed.

Shri Dulal Chandra Barua : Sir, the question has been interpreted in a different way. The Chief Minister had the escapist mentality. When he said that there were some irregularities, we want to know whether action has been taken by the Government in this regard ?

Shri Mahendra Mohan Choudhary : Sir, the University is an autonomous body created by a legislation of this House. Under that legislation, they are functioning. They have their own rules and procedure to transact their business. In the proceedings of the meeting held in December, 1970, as far as I have seen, there is mention of some irregularities. If your honour, Sir, go through it, the point will be clear.

Shri Dulal Chandra Barua : Sir, can we take it that the hon. Chief Minister will apprise this House about the details of action taken on the recommendations of the Enquiry Committee of 1968. ?

Shri Mahendra Mohan Choudhury : Sir, I shall be able to give this information if a separate question is put.

Shri Dulal Chandra Barua : There is no need to put a separate question.

**Re : Amingaon-Hazo Public Works Department Road**

Shri Sailen Medhi ask : * 2. Will the Minister-in-charge of Public Works Department ( R & B ) be pleased to state—

(a) The date for passing the order by the Government to black-top the Amingaon-Hazo P.W.D.

Road ?

(b) What is the mileage of that road and what is the estimated cost of black-topping of the road ?

(c) In which date the Department has started the work ?

(d) Whether the same has been completed ?

(e) If not, why ?

Shri Altaf Hossain Mazumder (Minister) Public Works Department (R & E) replied :

2 (a). —Metalling and black-topping the unsurfaced portion of North Gauhati-Amingaon-Hazo Road from 5th to 12th miles was administratively approved on 30th August 1969.

(b) The total mileage of the road is eight and estimated cost is approximately Rs. 6, 43, 800.

(c) November, 1969.

(d) About 70 per cent of the work has since been completed.

(e) As this is a Five-Year Plan work and as the allocation under Plan works are received on a phased basis, the Department could not make the whole sanctioned amount available to E.E. in a year. So the work is to be limited upto the allotted amount only in that particular year.

দৈয়াং বিজার্ভত বেদখলকাৰীৰ উচ্ছেদ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

* ৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুহগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমাৰ দৈয়াং বিজাৰ্ভত যোৱা চেপ্তেম্বৰ মাহত তাত থকা দখলকাৰী লোকসকলক উচ্ছেদ কৰি কৃষি-সম্পদ আৰু অন্যান্য আনুসঙ্গিক সম্পদ বিক্ৰি কৰি কিমান টকা চৰকাৰে উপাৰ্জ্জন কৰিলে ?

(খ) এই উচ্ছেদ কাৰ্য্যৰ ফলত অনুমান দখলকাৰীসকলৰ কিমান মুল্যৰ সম্পদ লোকচান হব বুলি চৰকাৰে ভাবে ?

(গ) এই কাৰ্য্যত লগোৱা হাতীবোৰৰ খৰচ দিয়া হ'লনে আৰু যদি হ'ল, কিমান দিলে ?

(ঘ) এই উচ্ছেদ কাৰ্য্যৰ লগতে কেইমাহমানৰ আগত চুঙাজানত উচ্ছেদ কৰা কাৰ্যাৰ লগত কিবা সম্বন্ধ বা সংহতি ৰখা হৈছে নেকি ?

বন বিভাগৰ মন্ত্ৰী শ্ৰীৰণেন্দ্ৰ বসুমতাৰীয়ে উত্তৰ দিছে :

৩। (ক) দৈয়াং ৰিজাৰ্ভৰ বেদখলকাৰী বিলাকক উচ্ছেদ কৰি ধান আৰু মৰাপাট জব্দ কৰা হয় আৰু সেইবিলাক বিক্ৰি কৰি ৪,২৮৭.৯৪ পইচা পায়। ইয়াৰ বাহিৰেও ১৪৯ খন খেতি কৰাৰ সজুলি যথা কুঠাৰ, দা, আৰু কোৰ জব্দ কৰা হৈছে। কিন্তু সেইবিলাক এতিয়াও বিক্ৰি কৰা হোৱা নাই।

(খ) বেদখলকাৰীসকলৰ কোনো সম্পত্তিৰ ক্ষতি হৈছে বুলি চৰকাৰে নেভাবে।

(গ) হাতী লগোৱা বাবত মুঠতে ৪,৮৫০ টকা খৰচ দিয়া হৈছে।

(ঘ) নাই।

শ্ৰীলক্ষ্মধৰ চৌধুৰী : মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে, এই লোকসকলে কিমান দিন ধৰি এই দৈয়াং ৰিজাৰ্ভত বসতি কৰি আছিল ?

শ্ৰীৰণেন্দ্ৰ বসুমতাৰী : ১৯৬৮ চনৰ পৰা সেইবিলাক অঞ্চলত বেদখল কৰি আছে। কিছুমানে হয়তো তাৰে আগৰ পৰাই বসতি কৰি আছে।

শ্ৰীলক্ষ্মধৰ চৌধুৰী : ১০।১২ বছৰৰ আগৰ পৰাই সেই লোক সকলে সেই অঞ্চলত বসতি কৰি আছে গতিকে ইমান দিন বসতি কৰি থকা লোক সকলক কেনেকৈ উচ্ছেদ কৰিছে ?

শ্ৰীৰণেন্দ্ৰ বসুমতাৰী : অধ্যক্ষ মহোদয়, ১৯৬২ চনৰ পৰা কিছুমান বেদখল কাৰীয়ে দৈয়াং ৰিজাৰ্ভত বে-দখল কৰা আৰম্ভ কৰে। তেওঁলোকক বিভিন্ন সময়ত উচ্ছেদ কৰা হৈছিল। আৰু এতিয়া সেই বে-দখলকাৰী সকলৰ ভিতৰত যিবিলাকক মাটিৰ বাবে উপযুক্ত বুলি বিবেচনা কৰা হয়, তেওঁলোকক আধা মাইল জুৰি Belt ত বসতি দিয়াৰ বাবে ব্যৱস্থা লোৱা হৈছে।

শ্ৰীফনী বৰা : এতিয়া যিবিলাক মানুহক তাৰ পৰা উচ্ছেদ কৰিছে তাৰ

যিবিলাকৰ উপযুক্ততা আছে তেওঁলোকক আৰু এঠাইত মাটি দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে বুলি কৈছে মই মন্ত্ৰীমহোদয়ৰ পৰা জানিব পাৰোনে যিবিলাক মানুহে মাটি পোৱাৰ উপযুক্ত সেই মানুহবিলাকক কি কাৰণে উচ্ছেদ কৰা হ'ল ?

শ্ৰীৰণেন্দ্ৰ বসুমতাৰী : অধ্যক্ষ মহোদয়, এই দৈয়াং বিজাৰ্ভত আমাৰ এটা Green Forest Belt হিচাবে ধৰা হৈছে। সেই অঞ্চলত নগাই বেদখল কৰা বাবে আৰু বহুতো মানুহৰ অনুপ্ৰবেশ হোৱা বাবে আমাৰ চৰকাৰে সেই মানুহবিলাকক নতুন ঠাইত মাটি দিয়াৰ বাবে বিবেচনা কৰিছে। আৰু যিবিলাকৰ উপযুক্ততা আছে তেওঁলোকক মাটি দি বসতি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীকবীৰচন্দ্ৰ ৰয় প্ৰধানী : এই যে উচ্ছেদ কাৰ্য্যত হাতী লগাই ঘৰ-দুৱাৰ ভাঙি যি তাণ্ডৱ লীলা সৃষ্টি কৰিছে সেউ তাণ্ডৱ লীলা মন্ত্ৰী মহোদয়ে কেতিয়াবা দেখিছেনে ?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : অধ্যক্ষ মহোদয়, আমাৰ যিসকলে বনাঞ্চলৰ কাঠ আদি কাটি ঘৰ বান্ধে সেইবিলাকক সাধাৰণতে হাতী বা তেনে ধৰণৰ জন্তু লগাই ভাঙি দিব পাৰে।

শ্ৰীকবীৰচন্দ্ৰ ৰয় প্ৰধানী : এই যে হাতী লগাই ঘৰ দুৱাৰ ভাঙা তাণ্ডৱ-দৃশ্যটো মন্ত্ৰী মহোদয়ে দেখিছেনে নাই ?

শ্ৰীফনী বৰা : তেখেতৰ প্ৰশ্নটো হৈছে যে উচ্ছেদ কাৰ্য্যত যি তাণ্ডৱলীলা বা অমানুষিক বিভৎসৰ সৃষ্টি হৈছে সেই দৃশ্যটো মন্ত্ৰী মহোদয়ে দেখিছেনে নাই ?

শ্ৰীৰণেন্দ্ৰ বসুমতাৰী : মই নাই দেখা।

শ্ৰীকামিনী মোহন শৰ্মা : মই এইটোকে জানিব বিচাৰিছোঁ যে যদি মন্ত্ৰী মহোদয়ে দেখা নাই ; তেন্তে তেখেতে নিজে হাতীত উঠিয়েই হওক বা ট্ৰাকত উঠিয়েই হওক চাবলৈ যাব লাগে। মই দেখিছো আমাৰ এটা অঞ্চলত বেদখল-কাৰীৰ উচ্ছেদ কাৰ্য্যত হনুমানে লঙ্কা দাহন কৰাৰ দৰে ভূমিহীন খেতিয়ক সকলক তাৰ পৰা বঞ্চিত কৰাৰ ওপৰিও তেওঁলোকৰ ল'ৰা-ছোৱালী বিলাকৰ কাৰণে তেওঁলোকে যিটো ব্যৱস্থা কৰিছে সেইটো চৰকাৰে বিবেচনাযোগ্য বুলি নাভাবে

নেকি ? গতিকে এই ব্যৱস্থাটো উঠাই দি বেদখল কাৰ্য্যক পবিত্ৰ বুলি ভাবি আৰু হাতী লগাই ঘৰ-দুৱাৰ ভঙা ব্যৱস্থাটো উঠাই দি প্ৰকৃত ভূমিহীন লোকক মাটি দিয়ে আৰু বেদখল কৰা নকৰা প্ৰত্যেক মানুহকে বসবাসৰ ব্যৱস্থা কৰি দিবলৈ বিশেষ ব্যৱস্থা হাতত লৈছে নে নাই ? যদি লোৱা নাই কিয় লোৱা নাই আৰু যিসকলে ঘৰ বান্ধিব তেওঁলোকৰ ব্যৱস্থাৰ কাৰণে অনুমান কৰা নকৰা, চিন্তা কৰা আদি কি ব্যৱস্থা কৰিছে তেওঁলোকৰ ঘৰ ভাঙাৰ কাৰণে সেইটো আমাক জনাব লাগে।

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : অধ্যক্ষ মহোদয়, এই দৈয়াং বনাঞ্চলত বেদখল কৰি যিসকলে ঘৰ বান্ধিছে, তেওঁলোকে বনাঞ্চলৰ গছ-গছনি কাটি খান্তাং কৰিছে আৰু তাৰেই ঘৰ সাজিছে। গতিকে সেইবিলাক ভাঙি দিয়াত তেওঁলোকৰ একো ক্ষতি হোৱা নাই।

শ্ৰীহীৰালাল পাটোৱাৰী : অধ্যক্ষ মহোদয়, এইমাত্ৰ কৈ গৈছে যে খেতি-সকলে ঘৰবিলাক ভাঙি দিয়ে। কিন্তু মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ। যে যি সকল খেতিয়কে তাত খেতি কৰি যি ফচল লাভ কৰে সেইবিলাক তাৰ পৰা তুলি চৰকাৰৰ ট্ৰাকত ভৰাই আনিবৰ কাৰণে চৰকাৰৰ কিবা নিয়ম আছে নে ?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : অধ্যক্ষ মহোদয়, উচ্ছেদ কৰাৰ পাছত সেই ফচল বিলাক নীলাম কৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে ?

শ্ৰীহীৰালাল পাটোৱাৰী : আপুনি সচৰাচৰ নীলাম কৰিব পাৰে। কিন্তু সেইটো মই কোৱা নাই। মই কৈছোঁ সেই মাটিত খেতি কৰাৰ পাছত যিটো শস্য হয়, সেই শস্যক কাটি চৰকাৰী ভৰাললৈ নানি ট্ৰাকৰ পৰাই ব্যৱসায়ী সকলক বিক্ৰী কৰি দিছে। উদাহৰণ স্বৰূপে কওঁ যে এই বিষয়ে টঙ্কেশ্বৰ শৰ্মা নামৰ এজন লোকে Representation দিছে যে ট্ৰাকে ট্ৰাকে শস্য ভৰাই আনি ব্যৱসায়ী সকলক ৩০ মাইলৰ ভিতৰতে বিক্ৰী কৰি দিছে। এইটো সঁচা নেকি ?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : এইটোৰ বিষয়ে মই একো খবৰ পোৱা নাই আৰু এইটো এই প্ৰশ্নৰ লগত নাখাটে।

শ্ৰীহীৰালাল পাটোৱাৰী : মন্ত্ৰী মহোদয়ে Procedure-ৰ কথা কৈছে ! কিন্তু Procedure থকা স্বত্বেও শস্যবিলাক কাটি বাহিৰে বাহিৰে হস্তান্তৰ কৰি দিছে—ইয়াৰ বাবে কিবা ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে নে ?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : যেতিয়া নীলাম কৰিবৰ বাবে গ্ৰাহক নাথাকে, তেতিয়া সেইবিলাক নিব পাৰে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : যিসকল স্থানীয় মানুহক বেদখল কৰা বুলি উচ্ছেদ··· সেই মাটি খণ্ডত আমাৰ মানুহক সোনকালে বসবাসৰ স্থান নিদিয়াৰ কাৰণে নগাবিলাকে আহি বেদখল কৰি লৈছে আৰু নগালেণ্ড চৰকাৰে পুলিচ-মিলিটাৰী লগাই স্থানীয় লোকৰ ঘৰ দুৱাৰ ভাঙি ধ্বংস কৰি পেলাইছে আৰু তেওঁলোকৰ নিজৰ বসবাসৰ ব্যৱস্থা কৰিছে। আমাৰ মানুহক পুনৰ সংস্থাপন নিদিয়াৰ বাবে সেই বিলাক মাটি নগাবিলাকে বলেৰে লৈ লৈছে। এই কথা মন্ত্ৰী মহোদয়ে জানেনে ? যদি জানে এই বিষয়ে কি ব্যৱস্থা কৰিছে ? যদি নাই কৰা স্থানীয় লোকক সোন-কালে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : অধ্যক্ষ মহোদয়, মই আগতেই এটা প্ৰশ্নৰ উত্তৰত কৈছিলোঁ যে নগাবিলাকে বেদখল কৰাটো সঁচা আৰু এই বিষয়ে মই ব্যৱস্থা কৰিছোঁ যে বেদখলকাৰীৰ যি সকলক উপযুক্ত বুলি ভবা হৈছে, সেই সকলক তাত মাটি দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু তেওঁলোকে তাত মাটি পাবই ; ইয়াত কোনো সন্দেহ নাই।

## নামবৰ বনাঞ্চলৰ পৰা বড়ো জনজাতীয় লোকৰ উচ্ছেদ

শ্ৰীপিটচিং কোঙৰে সুধিছে :

* ৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ১৯৬৬ চনৰ জুলাই মাহতে ৫০০ শ ঘৰ বড়ো জনজাতীয় পৰিয়াল মিকিৰ পাহাৰ জিলাৰ নামবৰ ১৬ নং বনাঞ্চলৰ পৰা উচ্ছেদ কৰা কথাটো সঁচা নে ?

(খ) এই উচ্ছেদ কাৰ্য্যৰ পিচত উক্ত ৫০০ শ পৰিয়ালক আমাৰ মুখ্যমন্ত্ৰীয়ে বন বিভাগৰ চীফ, কনজাৰভেতৰৰ দ্বাৰা নগালেণ্ডৰ সীমাৱৰ্তী দৈয়াং বনাঞ্চলৰ মাটিত বহুৱাবলৈ দিয়াটো সঁচা নে ?

(গ) ১৯৬৮ চনৰ মাৰ্চ মাহৰ নগা N A P য়ে এই দুৰ্দশাগ্ৰস্ত পৰিয়াল-সমূহৰ ঘৰ দুৱাৰ সমূলঞ্চে জুই লগাই দি খেদি দিয়াটো সঁচা নে ?

(ঘ) নগা N A P য়ে এই দুৰ্দশাগ্ৰস্ত পৰিয়ালসমূহক উচ্ছেদ কৰাৰ পিচত তেওঁলোকৰ আবেদন মৰ্মে এই পৰিয়ালসমূহক অস্থায়ীভাৱে চিচুপানী বনাঞ্চলত বসতি কৰি খেতি-বাতি কৰিবলৈ চৰকাৰে হুকুম দিয়া কথাটো সঁচা নে ?

(ঙ) উপৰোক্ত (ক), (খ), (গ) আৰু (ঘ) প্ৰশ্নৰ কথাবোৰ যদি সঁচা হয়, তেনেহলে চৰকাৰে এই দুৰ্দশাগ্ৰস্ত পৰিয়ালসমূহক কোন ঠাইৰ স্থায়ী-মাটি দিয়াৰ কথা বিবেচনা কৰিছে ?

বন বিভাগৰ মন্ত্ৰী শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰীয়ে উত্তৰ দিছে :

৪। (ক) ৫৯ ঘৰ বেদখলকাৰী লোককহে মিকিৰ পাহাৰৰ নামবৰ বিজাৰ্ভৰ ১৬ নং বনাঞ্চলৰ পৰা উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰৰ বন সংমণ্ডল বিষয়াই আৰু ১১৩ ঘৰ বড়ো পৰিয়ালক শিৱসাগৰৰ বন সংমণ্ডল বিষয়াই নামবৰ (South Block) ৰিজাৰ্ভৰ পৰা ১৯৬৬ চনৰ জুলাই মাহত উচ্ছেদ কৰিছিল।

(খ) আৰু (গ)-- সঁচা, মাত্ৰ উপৰোক্ত ১৩৩ ঘৰ আৰু ৫৯ ঘৰ পৰিয়ালকহে সীমাবৰ্তী দৈয়াং ৰিজাৰ্ভত মাটি দিয়াৰ ব্যৱস্থা কৰা হয়। কিন্তু তেওঁলোকক আৰু আন কিছুমান বড়ো পৰিয়ালক নগালেণ্ডৰ পুলিচে ঘৰত জুই লগাই দি তাৰ পৰা ১৯৬৮ চনৰ এপ্ৰিল মাহত খেদি পঠায়।

(ঘ) সঁচা নহয়। নগালেণ্ড পুলিচে উচ্ছেদ কৰাৰ পাচত সিহঁতে দৈয়াং ৰিজাৰ্ভৰ তেলিসাল অঞ্চলত বেদখল কৰি আছে।

(ঙ) দৈয়াং ৰিজাৰ্ভৰ আধা মাইল অঞ্চলত মাটি দিয়াৰ বন্দবস্ত কৰা হৈছে।

শ্ৰীপিটসিং কোঁৱৰ : এই সকল লোকক য'ত মাটি দিব খুজিছিল সেই অঞ্চলত বৰ্তমান নগালেণ্ডৰ কিছুমান বেদখলকাৰীয়ে মাটি লবলৈ প্ৰচেষ্টা চলাই ইতিমধ্যে তাত Camp বহুৱা কথাটো সত্যনেকি ?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : এই অঞ্চল আৰু তাৰ ওচৰত য'ত মাটি দিয়াৰ বন্দবস্তি হৈছে তাত কোনো বেদখল হোৱা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : এইটো কেতিয়াৰ Information মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : মই নিজে জানুৱাৰী মাহৰ ৪ তাৰিখে তাত পৰিভ্ৰমণ কৰিছিলো আৰু নিজ চকুৰে দেখি আহিছো— মেৰাপানী অঞ্চলৰ বাহিৰে আনত বেদখল হোৱা নাই।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : যিটো ঠাইৰ কথা উল্লেখ কৰিছে তাত নগালেণ্ডৰ মানুহে বেদখল নাই কৰা, কথাটো বৰ সত্য নহয়। গতিকে অতি সোনকালে ইয়াৰ অনুসন্ধান কৰি সদনক জনাবনে? নগালেণ্ড পুলিচ তথা নগালেণ্ডৰ মানুহ বসবাস কৰিবলৈ ব্যৱস্থা কৰা কথাটো মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : এইটোৰ সম্পূৰ্ণ খবৰ আহি পোৱা নাই। মই ৪ তাৰিখে যেতিয়া তালৈ গৈছিলো, তেতিয়া তেনে খবৰ পোৱা নাছিলে।

শ্ৰীপিটসিং কোঁৱৰ : এই মাটি ডোখৰৰ কাৰণে অসমৰ চিপাহী আৰু নগালেণ্ডৰ মাজত সংঘৰ্ষ হোৱাৰ Information পাইছে নে নাই? তাত গুলিয়া গুলি হৈছিল। যদি কথাটো সঁচা নহয় তেতিয়াহলে বাতৰি কাকতত Contradict কৰিছিল নেকি?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : মেৰাপানী আৰু গামেৰীমুৰী Forest Villagers বিলাকক উচ্ছেদ কৰাৰ উপক্ৰম হৈছিল। কিন্তু মাননীয় সদস্যই যিডোখৰ ঠাইৰ কথা কৈছে তাত Confrontation হোৱাৰ বাতৰি পোৱা নাই।

শ্ৰীকামিনী মোহন শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ৰিজাৰ্ভৰ মাটিৰ কাৰণে গুলিয়া গুলি হৈছে আৰু আমাৰ বন সম্পদৰে বেত-সম্পদৰ নিচিনা মূল্যবান সম্পদ একেবাৰে তহিলাং কৰিছে। আমাৰ চৰকাৰে এই সম্পদ ৰক্ষা কৰাৰ কি ব্যৱস্থা লৈছে?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : মই আগতে কৈছো, সেই অঞ্চলত আধা মাইল ব্যাপী তাত আমাৰ যিসকল মানুহে বেদখল কৰিছিল আৰু যিবিলাক মাটি পোৱাৰ উপযুক্ত তেওঁলোকক বন্দবস্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই কথা ঠিক যে একেবাৰে আধা মাইলৰ ভিতৰত মাটি দিয়াৰ সম্ভৱ নহব পাৰে তথাপি তাৰ ভিতৰতে দিয়াৰ বন্দবস্তি কৰা হৈছে।

শ্ৰীহীৰালাল পাটোৱাৰী : মন্ত্ৰী মহোদয়ে deserving আৰু non deserving-ৰ কথা কৈছে। এই শব্দ দুটাই মানুহৰ মাজত confusion সৃষ্টি কৰে। আৰু মাটি পট্টন দিয়াটো গোলমেজালিৰ সৃষ্টি হৈছে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা deserving শব্দটোৰ ব্যাখ্যা বিচাৰিছো। কিছুমান tribal undeserving বুলি ধৰা হয় আৰু বেআইনি ভাৱে উচ্ছেদ কৰা সকলো deserving হয়। এইটো নিতান্ত পৰিতাপৰ বিষয়। গতিকে এই deserving শব্দটোৰ এটা উচিত ব্যাখ্যা মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : Tribal সকলৰ ভিতৰত deserving candidate আছে। এই সম্পৰ্কে D.C. যোৰহাট আৰু গোলাঘাটৰ S.D.O. ক দায়িত্ব দিয়া হৈছে আৰু তেওঁলোকে উপযুক্ততা বিচাৰি উলিয়াব। deserving সম্পৰ্কে ৰাজহ বিভাগক varify কৰিবলৈ দিয়া হয়। আজিকালি আপোনালোকে জানেই মাটি থকাইও মাটি বিক্ৰী কৰি মাটি বেদখল কৰে আৰু কিছুমানৰ ভায়েকক পঠিয়াইও বেদখল কৰে।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : কোনবিলাক মানুহক Deserving বুলি বিবেচনা কৰা হয়। এতিয়ালৈকে যিবিলাক মানুহক পুণৰ সংস্থাপন কৰা হৈছে সেই বিলাক চৰকাৰৰ বিবেচনা মতে Deserving হয়নে নহয়?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : নিশ্চয় সকলোৱেই Deserving নহয়। সেই বিলাক D. C. আৰু S. D. O. ৰ Report ৰ ওপৰত নিৰ্ভৰ কৰে। আমাৰ ৰাজহ বিভাগৰ যিখন চাৰকুলাৰ আছে সেই মতেই তেওঁলোকে Report দিয়ে আৰু সেই Report মতেই Deserving undiserving নিৰ্ণয় কৰা হয়।

শ্ৰীহীৰালাল পাটোৱাৰী : চৰকাৰে কাক কাক Deserving বুলি ধৰিছে?

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : এই বিষয়ে বিতং বিবৰণী মাননীয় সদস্য সকলক দিয়াটো সম্ভৱ নহয়। কাৰণ এই প্ৰশ্নটো আহিছে টেলিশাল অঞ্চলৰ বে-দখল সম্পৰ্কত। D. C., S. DO কাক কাক উপযুক্ত বুলি ধৰিছে কব নোৱাৰো।

শ্ৰীমনেশ্বৰ বৰো : Deserving আৰু undeserving কোন বিলাকক ধৰিছে।

(উত্তৰ নাই)

শ্ৰীহীৰালাল পাটোৱাৰী : চৰকাৰে যেতিয়া Deserving শব্দটো ৰাখ্যা কৰিছে সেইটো স্পষ্ট হোৱা নাই! কাৰোবাৰ ৪০/৫০ বিঘা মাটি থাকিলেও Deserving লিষ্টত নাম উঠে আৰু যাৰ মাটি নাই অনুসুচিত জাতি—অনুসুচিত জনজাতিৰ লোক তেওঁলোকৰ নাম Deserving list ত নাথাকে। চৰকাৰে এইটোৰ তদন্ত কৰিব লাগে।

শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰী : এই বিলাকৰ বিষয়ে নিশ্চয় বিবেচনা কৰিম। আৰু কোন বিলাক প্ৰকৃত Deserving সেইটোও বিবেচনা কৰিম।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ : তেখেতে কৈছে যে deseriving লোকসকলক মাটি দিয়াৰ ব্যৱস্থা কৰিছে। কোন কোন লোকক deserving বুলি চৰকাৰে

বিবেচনা কৰে। এইটো কথাত চৰকাৰী নীতি বাখ্যা কৰি দিব লাগে। এতিয়া কৈছে যে মাটিহীন লোকক বিবেচনা কৰিব। মাটি থকা মানুহক deserving বুলি বিবেচনা কৰে। মাটি নাইকীয়া মানুহক deserving বুলি বিবেচনা কৰে। এইটো চৰকাৰী পক্ষৰ পৰা স্পষ্ট কৰি দিব লাগে।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : চৰকাৰে এই বিষয়ে ঘোষণা কৰিছে। যিবিলাক মানুহৰ মাটি একেবাৰেই নাই সেই বিলাকক priority দিয়া হয় তাৰ ভিতৰত গৰা খহণীয়া মানুহ আছে। আৰু যিবিলাক প্ৰকৃত মাটিহীন খেতিয়ক তাৰ তাৰ পাচত যি সকলৰ ৩ বিঘা বা তাৰ কম মাটি, তাৰ পাচত ৫ বিঘা বা তাৰ কম মাটি থকা লোকক বিবেচনা কৰা হয়।

শ্ৰীজালালুদ্দিন আহমদ : মোৰ সমষ্টিৰ ভিতৰত দেখা গৈছে যে বহুত মানুহৰ মাটি নাই মাঠাউৰীৰ ওপৰত আছে সেই বিলাক মানুহে মাটি পোৱা নাই। কিন্তু যি বিলাক মানুহৰ ৪০ বিঘা মাটি আছে সেই সকলে মাটি পাইছে। আনকি ৫ বছৰীয়া ল'ৰাৰ নামটো মাটি পাইছে। এই বিলাকৰ এটা তদন্ত কৰিব লাগে।

শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী : মাটি নীতি ঘোষণা কৰিছে ১৯৬৮ চনত। এই বিলাকৰ ভিতৰত ৪০/৫০ বিঘা মাটি থকা বা নাবালকে মাটি পোৱাৰ কথাটো তদন্ত কৰিম।

**Re : Appointment of Under-Secretary, Law Department**

Shri Maneswar Boro asked :

* 5. Will the Minister-in-charge of Law be pleased to state :—

(a) Who is the present Under-Secretary, Law Department?

(b) What post he was holding at the time of his appointment?

(c) Whether it is a fact that Accountant General, Assam and Nagaland raised objection on his appointment that he was neither a Member of the Judicial Service nor he was holding a post of Judicial Servi-

ce at the time of his appointment and Government replied to the Accountant General, Assam and Nagaland that it is only a stop-gap arrangement and vacancy will be filled up by sending the post to the A.P.S.C. for fresh advertisment ?

(d) If so, whether Government is taking steps to fill up the vacancy by sending the post to the A.P.-S.C. for fresh advertisement ?

Shri Abdul Matlib Mazumdar (Minister, Law) replied :

5. (a) Shri G. N. Mahanta is the Under-Secretary, Law Department.

(b) He was holding the post of Accounts Officer in the Supply Department at the time of his appointment.

(c) Yes.

(d) Necessary step is being taken for regularisation of the appointment,

Shri Promode Chandra Gogoi : I want to ask Whether the posts of Under Secretary of the Law Department are to be filled up by promotion or by direct recruitment :

Shri Abdul Matlib Mazumdar : Direct recruitment. This appointment was made as on stop gap temporary arragement.

Shri Promode Chandra Gogoi : Whether Assam Public Service Commission was consulted and whether A.P.-S.C's recommendation is necessary to appoint such Officers.

Shri Mahendra Mohan Choudhury (Chief Minister) : Steps are being taken for regularisation of appointment.

Shri Dulal Chandra Barua : Whether this post is me-

ant for judicial services and under what circumstances this stop gap arrangement has been made without consulting the A.P.S.C.

Shri Mahendra Mohan Choudhury : It was only a temporary arrangement.

Shri Dulal Chandra Barua : I want to know whether such person cannot be recruited from the judicial Service.

Shri Abdul Matlib Mazumdar : He was holding the Post for 3 years and so the appointment was made.

Shri Dulal Chandra Barua : I want to know whether a Munsnif can be appointed from the judicial service and if any man is to be appointed in judiciary service he is to be appointed from the judicial side. While a man can be expected to be appointed in the judicial post why a man is specially taken from the Supply Department to the Law Department.

Shri Mahendra Mohan Choudhury : There is inter-change of Officers from Executive side also to other departments.

Shri Dulal Chandra Barua : In this particular case under what circumstances the appointment was made and no such convention was followed by the Government, the Chief Minister wants to misguide us.

Shri Mahendra Mohan Choudhury : No, Sir, I do not want to misguide the House. It is not necessary that the judicial officers will be kept confined in that department only. Now, of course, Judiciary and Executive are made separate. This man was serving in the Supply Department as Accounts Officer who is now appointed in the Law Department and is supposed to know the affairs of the Law

Deptt. It is only a temporary arrangement.

Shri Promode Chandra Gogoi : May I know from the Hon'ble Chief Minister I mean from the Law Minister even the purpose why a man should be taken from particularly Supply Department to the Law Deptt, and what is the necessity of showing favouritism to a particular person.

Shri Mahendra Mohan Choudhury : I do not know exactly under what circumstances the Officer was appointed; but there is nothing wrong in appointing the Officer as a stop-gap arrangement.

Shri Abdul Matlib Mazumdar : The appointment was made under Notification No. LJL. 16/62/68 dated 2nd March, 1968.

Shri Promode Chandra Gogoi : Sir, in reply to [d] the Minister had said " necessary step is being taken for regularisation of the appointment". The appointment was made in 1968. May I know since 1968 what particular steps have been taken by Government to regularise the post ?

Shri Abdul Matlib Mazumdar : The Supply Department required him to be transferred to that Department.

Shri Promode Chandra Gogoi : Sir, my question was very clear. The question as per [d] is : If so, whether Government is taking steps to fill up the vacancy by sending the post to the A.P.S.C. for fresh advertisement ? The Minister has replied that Government have taken steps. My I know what steps have been taken since 1968 to fill up the post ?

Shri Abdul Matlib Mazumdar : The Supply Departme-

nt on 4.12.70 intimated that they have requested the Finance Department... ... ...

Shri Dulal Chandra Barua : This is irrelevant.

Shri Mahendra Mohan Choudhary : I am sorry, the regularisation has taken a long time. I shall look into the matter.

Shri Promode Chandra Gogoi : The presented Under Secretary was appointed in 1968 and the Law Minister has stated that the Government has taken steps to regularise the post. What steps have been taken by Government to regularise the post since 1968 ?

Shri Mahendra Mohan Choudhury : As I have said no steps have been taken. The reply is : necessary step is being for regularisation of the appointment. That means up till now no steps have been taken to regularise the post. I am sorry it has taken so much time.

Shri Dulal Chandra Barua : As per rule a post has to be regularised within 6 months. I want to know at the lapse of 3 years, even when there was question on this matter why no action has been taken ? May I request the Chief Minister to take appropriate action against the officer concerned ?

Shri Mahendra Mohan Chandhury : I have already stated.

Mr. Speaker : No more supplementaries ( when many members rose to speak ).

Shri Hiralal Patwary : Sir, you are not putting your eyes to me.

Mr. Speaker :- You must withdraw it.

Shri Hiralal Patwary : I shall not withdraw it. I wanted to say that you are not putting your eyes to me when I wanted to say something.

Mr. Speaker : When the hon'ble members rise to speak I ask him who catches my eyes. You should not put insinuation

Shri Dulal Chandra Barua : He is not putting insinuation to the Chair. Simply he said that he could not catch your eyes.

Shri Phani Bora :- Moreover, Sir, he is not conversant with English.

Shri Hiralal Patwary : I am sitting in the corner (laughter by some Members) and this is why I am neglected. May I know from the Chief Minister what is the defination of temporary arrangement ? It is how long ?

Shri Mahendra Mohan Chaudhury : I have already replied.

Shri Hiralal Patwary : If it continues for 10 years, 14 years or 15 or 20 years whether that is also temporary ?

Shri Mahendra Mohan Choudhury : Sometimes it is so.

Shri M.A. Musawwir Choudhury : Are we to understand that no action has been taken to regularise the post only because of nepotism and favouritism ?

Mr. Speaker : About nepotism and favouritism it is replied in the negative.

Shri M.A. Musawwir Choudhury : Sir, I have not been replied ?

Shri Mahendra Mohan Choudhury : It is a lapse on the part of the Government.

## দৈয়াং বনাঞ্চলত উচ্ছেদকাৰী লোকৰ সংখ্যা।

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে : * ৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে —

[ক] গোলাঘাট মহকুমাৰ যোৱা চেপ্তেম্বৰ মাহত দৈয়াং বনাঞ্চলত কিমান লোকক উচ্ছেদ কৰিলে এই কথা চৰকাৰে বিতংকৈ জনাব নে ?

[খ] এই উচ্ছেদকাৰ্য্য সম্পাদন কৰিবলৈ কেইজন মেজিষ্ট্ৰেট, কেইজন পুলিচ, মিলিটাৰী আৰু কিমানজন বনুৱা লোকক লোৱা হৈছিল ?

(গ) এই উচ্ছেদকাৰ্য্য চলাওঁতে মুঠতে কেই ঠাইত কেম্প কৰা হৈছিল ?

(ঘ) এই কেম্প মুঠতে কিমান দিন ধৰি চলিলে ?

(ঙ) উচ্ছেদকাৰী দলটোৰ কেম্পত কি কি খাদ্য সম্ভাৰে খাদ্যপ্ৰাণ যোগাৰ কৰা হৈছিল আৰু এই সম্ভাৰবোৰ কোনে কোনে চালান কৰিছিল বা ক'ৰ ক'ৰ পৰা যোগাৰ কৰা হৈছিল ?

[চ] এই কেম্প কেইটাত মুঠতে কিমান খৰচ কৰা হ'ল ?

বনবিভাগৰ মন্ত্ৰী শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰীয়ে উত্তৰ দিছে।

৬। [ক] যোৱা ১৯৭০ চনৰ চেপ্তেম্বৰ মাহৰ দৈয়াং বনাঞ্চলত ১,৮৪৬ ঘৰ পৰিয়ালক উচ্ছেদ কৰা হৈছিল।

[খ] উচ্ছেদকাৰ্য্য চলোৱা কেইদিনত প্ৰত্যেক দিনে এজন মেজিষ্ট্ৰেট, দুই চেকচন সশস্ত্ৰ সৈনিক নিযুক্ত কৰা হৈছিল। তদুপৰি ২,৫১৬ জন শ্ৰমিকও নিযুক্ত কৰা হৈছিল।

[গ] মুঠতে পাঁচ ঠাইত কেম্প কৰা হৈছিল।

[ঘ] ২৩ দিন ধৰি চলিছিল।

[ঙ] উচ্ছেদকাৰী দলটোক ডিপাৰ্টমেণ্টৰ পৰা কোনো ধৰণৰ খাদ্য যোগান ধৰা হোৱা নাছিল। উচ্ছেদকাৰী দলৰ লোকসকলে নিজে নিজে খাদ্য যোগাৰ কৰিছিল। সিহঁতে ক'ৰ পৰা সেইবোৰ যোগাৰ কৰি লৈছিল, সেইটো ডিপাৰ্টমেণ্টে জনা নাই।

[চ] মুঠতে ৫২'৭০ টকা।

### দৈয়াং বনাঞ্চল

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে : * ৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে

অনুগ্ৰহ কৰি জনাব নে—

(ক) গোলাঘাট মহকুমাৰ দৈয়াং বনাঞ্চলটো মাননীয় মন্ত্ৰী মহোদয়ে কেতিয়াবা চলাথ কৰি চাইছে নে ?

(খ) প্ৰায় ৯০ বৰ্গ কিঃ মিঃ এই বনাঞ্চলটোৰ নগা সীমান্তলৈকে অনেক লোকে যোৱা প্ৰায় ১৮।২০ বছৰে দখল কৰি তাত খেতি বাতি কৰি আৰু ঘৰ-দুৱাৰ সাজি বসবাস কৰি আছে সঁচানে ?

(গ) এই বনাঞ্চলটোত বৰ্ত্তমানে বসবাস কৰি থকা পৰিয়ালৰ ভিতৰত জনজাতি লোকৰ প্ৰায় ১,৫০০ টা, অনুসূচীত জাতিৰ ৫০০ টা, পিচপৰা চুতীয়া আহোম ২,৫০০ টা, পিচপৰা কোচ, সুৰ্ত্তি, নাথ ২০০ টা, মুচলমান ১৫০ টা, বিহাৰী, নেপালী ১০০ টা, প্ৰাক্তন চাহ বনুৱা ৯০০ টা, বৰ্ণহিন্দু ২৫০ টা, প্ৰায় এই অনুপাততেই ৬,০০০টা পৰিয়ালে খেতি-খোলা কৰি আছে। এই বিষয়ে বিতং অনুসন্ধান কৰি চৰকাৰী কবি খেতিৰ বাদে বাকী খেতিৰ উপযোগী এই দৈয়াং বনাঞ্চলটো খেতিয়কসকলৰ কাৰণে আইনতঃ মুকলি কৰি দিয়াৰ ব্যৱস্থা এই বছৰতে লবনে ?

বন বিভাগৰ মন্ত্ৰী শ্ৰীৰণেন্দ্ৰ নাথ বসুমতাৰীয়ে উত্তৰ দিছে—

৭। [ক] হয়, চোৱা হৈছে।

[খ] এই দৈয়াং বনাঞ্চলটো ১৯৫ বৰ্গ কিঃ মিটাৰহে, ৯০ বৰ্গ কিঃ মিটাৰ নহয়। এই অঞ্চলটোত ১৯৬১ চনৰে পৰা বেদখল চলি আছে আৰু বেদখল অঞ্চলটো নগা সীমান্তৰ পৰা যথেষ্ট আঁতৰত। মাজে মাজে এই অঞ্চলটোত উচ্ছেদ কাৰ্য্য চলাই থকা হৈছে।

[ঘ] প্ৰায় ৪,০০০ ঘৰ কেবা জাতিৰ মানুহ, যেনে—অসমীয়া, বৰ্ণ হিন্দু, অনুসূচীত জাতি, ভৈয়ামৰ জনজাতি, প্ৰাক্তন চাহবনুৱা, মুচলমান, নেপালী আৰু নগাই এই দৈয়াং বনাঞ্চলৰ বেদখল কৰি আছে। নগা সীমান্তত থকা ২,৫৪৫ একৰ মাটি বেদখলকাৰীৰ ভিতৰত বন্দবস্তী দিয়া হৈছে।

## OBITUARY REFERENCE

Obituary Reference to the demise of :—

1) Shri Dhani Ram Talukdar, Ex-M.L.A.
2) Shri Tajuddin Ahmed, Ex-M.L.A.
3) Shri Sashidhar Ghose, Ex-M.L.A.
4) Shri Hemanta Kumar Basu, President, Forward Block
5) Shri Bejoyananda Chatistee, Vice—President, West Bengal Pradesh Congress Committee.
6) Dr. K. M. Munshi, Ex-Governor, Uttar Pradesh.
7) Shri Nath Pai, M. P.
8) Dr. Prasanna Chandra Goswami, Principal, Cotton College.

শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী (মুখ্যমন্ত্ৰী)ঃ

### শ্ৰীধনীৰাম তালুকদাৰ

শ্ৰীতালুকদাৰৰ জন্ম হৈছিল ১৮৮৮ চনৰ ২ মে'ত। তেখেত সৰুৰে পৰা সাহসী আৰু আত্ম বিশ্বাসী আছিল। কলেজীয়া জীৱনত তেখেতৰ নিৰ্ভিকতাৰ যথেষ্ট উদাহৰণ তেখেতৰ জীৱনত পোৱা যায়। ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা স্বাধীনতা সংগ্ৰামত তেখেতৰ বৰঙণী সদায় ৰাইজে কৃতজ্ঞতাৰে স্মৰণ কৰিব। ওকালতি ব্যৱসায়ত তেখেতে যথেষ্ট কৃতিত্ব অৰ্জন কৰিছিল। তেখেতে ১৪ বছৰ কাল বৰপেটা লোকেল বোৰ্ডৰ চেয়াৰমেনৰ দায়িত্ব, সুখ্যাতিৰে পালন কৰিছিল।

তেখেতে এই সদনৰ সদস্য হিচাপেও যথেষ্ট যোগ্যতা প্ৰদৰ্শন কৰিব পাৰিছিল। তেখেতে বহুতো শিক্ষানুষ্ঠানৰ গুৰি ধৰিছিল আৰু সেইবিলাকৰ পৰিচালনাৰ ক্ষেত্ৰতো যথেষ্ট যোগ্যতা দেখুৱাব পাৰিছিল। তেখেতৰ মৃত্যুত আমি এগৰাকী বিশিষ্ট স্বাধীনতা সংগ্ৰামৰ যোদ্ধা হেৰুৱাৰ উপৰিও এগৰাকী সামাজিক ক্ষেত্ৰত কাম কৰা নেতা হেৰুৱালো।

তেখেতৰ আত্মাই চিৰ শান্তি লাভ কৰক তাকেই প্ৰাৰ্থনা জনাইছো।

শ্ৰীমতী তালুকদাৰ আৰু সন্তপ্ত পৰিয়ালৰ শোকত আমি গভীৰ সহানুভূতি জ্ঞাপন কৰিছোঁ।

## শ্ৰীতাজুদ্দিন আহমদ

এই সদনৰে এগৰাকী প্ৰাক্তন সদস্য, বৰপেটাৰ উকীল তাজুদ্দিন আহমদৰ হঠাতে যোৱা জানুৱাৰী মাহৰ ৪ তাৰিখে মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৫২ বছৰ। অসম বিধান সভালৈ তিনিবাৰ নিৰ্ব্বাচিত হোৱা তাজুদ্দিন আহমদ চাহাব বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতেও জড়িত আছিল। অমায়িক বিনয়ী আৰু মিত্ৰ আহমদক সকলো শ্ৰেণী আৰু সম্প্ৰদায়ৰ লোকে ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। তেখেতৰ মৃত্যুত আমি এগৰাকী সুযোগ্য সহকৰ্ম্মী হেৰুৱালো।

শোক সন্তপ্ত পৰিয়ালক আমি আমাৰ আন্তৰিক সমবেদনা জনাইছোঁ।

## হেমন্তকুমাৰ বসু

দেশৰ কোনো কোনো ঠাইত, বিশেষকৈ পশ্চিম বঙ্গত দেখা দিয়া বিপথগামী এদল লোকৰ হিংসাত্মক কাৰ্য্যৰ বলি হ'ল বঙ্গৰ বয়োজ্যেষ্ঠ বিপ্লৱী, অক্লান্ত দেশকৰ্ম্মী আৰু মুক্তি যুজৰ নিৰ্ভীক যুজাৰু শ্যামপুকুৰ সমষ্টিৰ প্ৰাৰ্থী হেমন্তকুমাৰ বসু। স্বৰ্গীয় বসুৱে জাতীয় আন্দোলনত যোগ দিয়ে ১৯০৫ চনত যেতিয়া তেওঁৰ বয়স আছিল মাত্ৰ ১৩ বছৰ। তেতিয়াৰপৰা আততায়ীৰ হাতত ২০ ফেব্ৰুৱাৰী তাৰিখে প্ৰাণ দিয়াৰ মুহূৰ্ত্তলৈকে বিভিন্ন ৰূপত নিজকে আত্মনিয়োগ কৰি আপোনশুধীয়া ভাৱে তেখেতে দেশ সেৱাত লাগি আছিল। ১৯২০ চনত গান্ধীজী আৰু দেশবন্ধু চিত্তৰঞ্জন দাসৰ আহ্বানত দেশৰ মুক্তি যুদ্ধত জপিয়াই পৰি নানা জীৱাতু ভুগিও আন্দোলন আৰু সংগঠন উভয় দিশতে তেখেতে অৰিহণা আগবঢ়ায়। স্বৰ্গীয় বসু আছিল নেতাজী সুভাষচন্দ্ৰৰ এজন ঘনিষ্ঠ সহকৰ্ম্মী আৰু ১৯৪০ চনত নেতাজীয়ে ফৰৱাৰ্ড ব্লক গঠন কৰাৰ সময়ত তেখেতক সেই দলৰ সম্পাদক হিচাবে নিযুক্ত কৰা হয়। হেমন্ত বসুৱে জাতীয় কংগ্ৰেছৰ হৈয়ো কাম কৰিছিল আৰু '৪২ৰ গণ-আন্দোলনতো যোগ দিছিল। স্বৰ্গীয় বসু ১৯৫৬ চনত নিখিল ভাৰত ফৰৱাৰ্দ ব্লকৰ সভাপতি নিৰ্ব্বাচিত হয় আৰু সেই দায়িত্বত মৃত্যুৰ সময়লৈকে অধিষ্ঠিত থাকে। গোৱা মুক্তি আন্দোলনৰ অন্যতম বিশিষ্ট কৰ্ম্মী স্বৰ্গীয় বসু ১৯৬৭ চনত পশ্চিমবঙ্গ যুক্ত ফ্ৰণ্ট মন্ত্ৰীসভাৰ অন্যতম বিশিষ্ট কৰ্ম্মী

মন্ত্ৰীৰূপে নিযুক্ত হৈছিল। তেওঁ আছিল এনে এজন দেশকৰ্ম্মী আৰু নেতা যিজনাক সকলো শ্ৰেণীৰ লোকেই সমান ভাৱেই শ্ৰদ্ধা কৰিছিল। স্বৰ্গীয় বসু আৰু তেওঁৰ দৰে যি সকলে দেশৰ সেৱা কৰিবলৈ গৈ আততায়ীৰ হাতত জীৱন দিলে সেই সকলৰ অমৰ আত্মাই আমাক যেন শক্তি আৰু প্ৰেৰণা যোগায় সকলো হিংসাত্মক চিন্তা আৰু কাৰ্যকলাপৰ বিৰুদ্ধে সমবেত ভাবে থিয় দি পৃথিৱীৰ বৃহত্তম আমাৰ এই গণতন্ত্ৰক সাৰ্থক কৰি তুলিবলৈ।

স্বৰ্গীয় বসুৰ আত্মাই চিৰশান্তি লাভ কৰক।

## কানাইয়ালাল মাণিকলাল মুন্সী

যোৱা ফেব্ৰুৱাৰী মাহৰ ৮ তাৰিখে আমি এগৰাকী খ্যাতনামা নেতা আৰু দেশকৰ্ম্মী কানাইয়ালাল মাণিকলাল মুন্সীক হেৰুৱালোঁ। দীঘলীয়া ৰাজনৈতিক জীৱনৰ বিভিন্ন পৰ্য্যায়ত নিজৰ ব্যক্তিত্বৰ ছাপ বহুৱাৰ উপৰিও এজন বিদগ্ধ পণ্ডিত হিচাপে তেখেত জনাজাত আছিল। গান্ধীজীৰ নেতৃত্বত সক্ৰিয়ভাৱে স্বাধীনতা আন্দোলনত যোগ দি তেখেতে কেবাবাৰো কাৰাবৰণ কৰিছিল। নামজ্বলা আইনজ্ঞ মুন্সীজীয়ে ভাৰত সংবিধান ৰচনাতো উল্লেখযোগ্য অবিহণা আগবঢ়াইছিল। ১৯৪৮ চনত হায়দৰাবাদত ভাৰত চৰকাৰৰ এজেণ্ট জেনেৰেল পদত থাকি তেখেতে প্ৰদৰ্শন কৰা প্ৰশাসনীয় দক্ষতাৰ কথা আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। ১৯৫০ চনত তেখেতে কেন্দ্ৰীয় মন্ত্ৰীসভাত খাদ্য মন্ত্ৰী হিচাবে যোগ দিয়ে। তাৰ পাছত উত্তৰ প্ৰদেশৰ ৰাজ্যপাল নিযুক্ত হয়। কেন্দ্ৰীয় খাদ্যমন্ত্ৰী ৰূপে তেখেতে প্ৰৱৰ্ত্তন কৰা বনমহোৎসৱ আজিও আমি নিয়মিত ভাৱে আজিও পালন কৰি আছো। তেখেতে স্থাপন কৰি থৈ যোৱা ভাৰতীয় বিদ্যাভৱনে ভাৰতীয় ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰতি থকা তেখেতৰ প্ৰেমৰ সাক্ষ্য গ্ৰহণ কৰিছে। অতীত ঐতিহ্য আৰু আদৰ্শৰ উদ্বুদ্ধ হলেও তেখেতৰ এখন সংস্কাৰকামী প্ৰগতিশীল অন্তৰ আছিল। সেয়েহে তেওঁ সক্ষম হৈছিল আমাৰ সাংস্কৃতিক জীৱনলৈ বোৱাই আনিবলৈ নৱজাগৰণৰ নতুন ঢল।

তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে তেখেতৰ পত্নী শ্ৰীমতী লীলাৱতী মুন্সী আৰু সন্তপ্ত পৰিয়াললৈ আমাৰ আন্তৰিক সমবেদনা জনাইছো।

**শ্ৰীনাথ পাই ঃ**

ভঙ্গ হৈ যোৱা লোকসভাৰ সদস্য প্ৰজা ছচিয়েলিষ্ট দলৰ নেতা

আৰু প্ৰবক্তা, নাথ পাইৰ যোৱা জানুৱাৰী মাহৰ ১৮ তাৰিখে বেলগামত হঠাতে মৃত্যু হয়। বেলগাম্, পুণা, অষ্ট্ৰিয়া আৰু লণ্ডন আদিত শিক্ষালাভ কৰা নাথ পাই ছাত্ৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্ম্মী আছিল। তেখেতে বিলাতত ভাৰতীয় সমাজবাদী দল এটিও গঠন কৰে। নাথ পাই আছিল '৪২ৰ গণ আন্দোলনৰ অন্যতম বিপ্লবী। তেখেত লোকসভালৈ প্ৰথম নিৰ্ব্বাচিত হয় ১৯৫৭ চনত। তাৰ পাছত ১৯৬২ আৰু ১৯৬৭ চনতো নিৰ্ব্বাচিত হৈ সংসদী বিতৰ্ক আৰু ৰাজনীতিৰ ক্ষেত্ৰত উচ্চমান প্ৰবৰ্ত্তন কৰাত সাৰ্থক অৰিহণা আগবঢ়ায়। গোৱা মুক্তি আন্দোলনতো তেখেতে যোগ দিছিল। ১৯৫৪ চনত নাথ পাই কোপেন হেগেনত বহা বিশ্ব আন্তৰ্জ্জাতিক সমাজবাদী যুৱক কংগ্ৰেছৰ সভাপতি ৰূপে নিৰ্ব্বাচিত হয়। ইউৰোপৰ বাহিৰৰ লোক তেৱেঁই প্ৰথম এই সন্মানৰ অধিকাৰী হয়। নাথ পাইৰ লোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনোৱাৰ লগতে তেখেতৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনালোঁ।

## শ্ৰীবিজয়ানন্দ চেটাৰ্জ্জী

আৰু এজন অক্লান্ত দেশকৰ্ম্মী সাংগঠনিক নেতাই যোৱা ৪ মাৰ্চ তাৰিখে নিশা অচিনাকি আততায়ীৰ হাতত প্ৰাণ দিব লগীয়া হয়। তেওঁ হল বিজয়ানন্দ চেটাৰ্জ্জী। স্বৰ্গীয় চেটাৰ্জ্জী আছিল পশ্চিমবঙ্গ অবিভক্ত প্ৰদেশ কংগ্ৰেছৰ সম্পাদক আৰু ধনভৰালী। পাছত সাংগঠনিক কংগ্ৰেছত যোগ দি উপসভাপতি নিযুক্ত হয়। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভ্য হিচাবেও তেওঁ বিভিন্ন কৰ্ম্মক্ষেত্ৰত আগভাগ লৈ কাম কৰে। সামাজিক আৰু শিক্ষাৰ ক্ষেত্ৰতো তেওঁৰ অৰিহণা বিশেষভাৱে উল্লেখযোগ্য স্বৰ্গীয় চেটাৰ্জ্জী অক্ষয় শিক্ষায়তনৰ প্ৰধান শিক্ষক আছিল।

মৃতকৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে এনে নৃশংস হত্যা বৃত্তিৰ বিৰুদ্ধে ঐক্যবদ্ধ ভাবে থিয় দি তাক আমাৰ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ পৰা সমূলে উচ্ছেদ কৰিবলৈ আমি দৃঢ় সংকল্প লৈছো।

## ডাঃ প্ৰসন্ন চন্দ্ৰ গোস্বামী

আমাৰ কটন কলেজৰে অধ্যক্ষ আছিল। তেখেতৰ মৃত্যুৰ বাবে শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনাইছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা: অধ্যক্ষ মহোদয়, সদনৰ দলপতি ডাঙৰীয়াৰ লগতে যিসকল বিশিষ্ট ব্যক্তিৰ বিয়োগ হৈছে তেখেতসকলৰ প্ৰতি প্ৰথমেই মোৰ শ্ৰাদ্ধাঞ্জলী

জ্ঞাপন কৰিলো। জয় গুৰুতে মই ৺ধনীৰাম তালুকদাৰ ডাঙৰীয়াৰ কথাকে কওঁ। তেখেত এজন অক্লান্ত সংগ্ৰামী পুৰুষ আছিল। ১৯২১ চনৰে পৰা দেশৰ স্বাধীনতাৰ যুদ্ধত তেখেতে যথেষ্ট বৰঙণি যোগাইছিল। তেখেতে সামাজিক শিক্ষা অনুষ্ঠান বিলাকতো যথেষ্ট বৰঙণি যোগাইছিল। বিধান সভাৰ সদস্য হিচাবে তেখেতক পোৱাটো আমাৰ সৌভাগ্য বুলিব পাৰি। তেখেত স্পষ্টবাদী আছিল আৰু ভাৱৰ যোগেদি পুৰুষত্ব ফুটাই তুলিছিল। তেখেতৰ গুণ শলাগিব লগীয়া। তেখেত বৰপেটা স্কুল বৰ্ডৰ চেয়াৰমেন হিচাবে থাকি যি কাম কৰি গ'ল তাক অসমবাসী তথা বৰপেটা বাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে। তেখেতৰ আত্মাৰ সদগতিৰ কাৰণে প্ৰাৰ্থনা জনাই শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিলো।

ইয়াৰ পাছতে আমাৰ সহকৰ্মী ৺তাজউদ্দিন আহমদৰ অকাল মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰি ইয়াকে কব খোজো যে, তেখেতে আজীৱন কষ্টৰ মাজেদি আগবাঢ়ি আহিছিল। কষ্টৰ মাজেদিয়েই শিক্ষা লাভ কৰিছিল সেইবাবেই ছাত্ৰৰ প্ৰতি তেখেতৰ স্নেহ আছিল অফুৰন্ত। বিধান সভাৰ সদস্য হিচাবে বিৰোধী দলৰ যি ভূমিকা গ্ৰহণ কৰিছিল সি অবৰ্ণনীয়। মই প্ৰথমে যেতিয়া তেখেতক পাওঁ -- কমিটি বিলাকত অন্যান্য ক্ষেত্ৰত তেখেতৰ পৰা পোৱা সহায়-সহানুভূতি অতুলনীয় আছিল। তেওঁ সদায় এটা কথাকেই কৈছিল— যে "অশেষ দুখ কষ্টৰ মাজেদি ডাঙৰ হৈ অহা বাবে দুখীয়াৰ অৱস্থা মই উপলব্ধি কৰিব পাৰো আৰু সেৱা কৰিবলৈ মন যায়।" সেইবাবে বৰপেটাৰ নিষ্পেষিত জনতাক তেখেতে অশেষ মৰম কৰিছিল। আজি তেখেতে আমাক অসময়তে এৰি গ'ল। তেখেতৰ আত্মাৰ সদগতিৰ বাবে প্ৰাৰ্থনা জনাই তেখেতৰ শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিলো।

the Government is sleeping over the issue since the 27th of February last. Today is 10th of March. All these 11 days Government has been sleeping over the matter. If it is known to the Government why no action has been taken to end the deadlock created by the strike by the Housemen of the Gauhati Medical College ? I have been told that the general students are also joining the strike from today. Sir, I think there are rules and regulations framed for the guidance of these colleges for smooth working. I do not understand in what way the Principal of the Gauhati Medical College create rules by himself without taking the Government and the House into confidence. I have been told that when the students met the Vice Chancellor of Gauhati University the latter remarked that the Principal is to be guided by the rules and regulations framed by the University and the Government. He further remarked that it is not known to him under what circumstances the Principal wanted to create a new and discriminatory precedence in academic matter. Further Sir, the circular referred to by Shri Medhi clearly proves that the Principal is indulging in doing things like Muhammad Togluk. Not even a layman will act in the manner the Principal has done. The Rules and regulations framed by the Academic Council and approved by the Executive Council are there and they are meant for guidance of the Principals concerned. Without taking the prior approval of the Government or the University how the Principal can act in the manner he is doing. By his actions he is going to spoil the career of so many young boys. I am told that for not getting

the certificates in time many of the boys who were getting appointment in NEFA and some who were called for interview in other establishments are going to be deprived of chances. When the students approached the Principal he is reported to have said that he does not care even if their whole future is spoiled. The Principal ought not to have passed such kind of remarks. Serious action should be taken against the Principal. I want to know whether Government has any knowledge of having such kind of arrangement for holding examinations after completion of one year internship. This is not done in Assam Medical College, Dibrugarh, nor in Silchar Medical College. So why this should be done in the Gauhati Medieal College alone. If there is any such provision, it should apply to all the Medical Colleges in Assam. Why it shonld be applicable to the Gauhati Medica! College alone is not understood. More so, from one side they are asked to have certificate and from the other side the Principal has issued a circular that there will be examination both theoratical and practical. This has led to great confusion in the mind of the internees. Even the Heads of the Departments in the Medical College have opined that this is unprecedented. This is unprecedented not only in the Assam but in the history of Indian Medical Colleges. Nowhere in India, such examination is held. That is why, we want to know whether any instruction from the Government side was given to the Principal of the particular college to have such kind of examanion before the cetificate is issued. It will not be out of place to mention that

college has become a trouble spot. We do not, howev r, like to discuss about the Doctors or criticise them, as we consider them to be God like men, but we cannot help doing so if they indulge in corruption.

( The Speaker left the Chair and Deputy Speaker took it. 2. 44 P.M. ) The affairs of the Gauhati Medical College smell a rat. We demand that there should be a thorough enquiry with a high powered body or by a Committee constituted by this House to go into the details of the working of that college, whether it has given any benefit to the people in general or certain section and some doctors are only benefited. We do not want a corrupted insitution in the heart of a city.

Now, the grievances of the House Surgeons are very genuine. I do not know why the Government has so far been sleeping over the matter. The strike has already paralysed the functioning of the hospital and the administration of the college is going to collapse. I find the Principal is very much adamant on his point and the House Surgeons are also trying to strike to their demand. So I am afraid if Government do not intervene early, a situation will devlop which will do great harm to the institution as well as to the people at large. Considering all these factors, I want to have a clarificatin as to whether Government has issued any instruction to the Principal to hold any such examination; why Government is sleeping over the matter inspite of repeated prayers from the House Surgeons to intervene; whether Government is aware that

the students are resorting to strike in support to their demand and the administration of the college is on the verge of collapse. If so, what step Government propose to take to bring the institution to normalcy and meet the demand of the House Surgeons.

শ্ৰীলক্ষ্যধৰ চৌধুৰী : উপাধ্যক্ষ মহোদয়, মই আন এটা দিশৰ পৰা কব খুজিছো। আমাৰ বিৰোধী পক্ষৰ তৰফৰ পৰা যি অভিযোগ অনা হৈছে তাৰ লগতে মই আন এটা দিশৰ কথাও ক'ব খুজিছো। মই দুটা দিশৰ কথা ক'ব খুজিছো। আমাৰ গুৱাহাটী মেডিকেল কলেজত ডাক্তৰ সকলে ধৰ্মঘট কৰাৰ বাবে কিমান ধৰণৰ অভাৱনীয় ঘটনা ঘটিছে তাক কলে আচৰিত হ'ব। মোৰ এটা দিশ হৈছে যে, তাত যিসকল পুৰণি বেমাৰী আছিল তেওঁলোকৰ ক্ষতিতো হৈছেই আনহাতে নতুন বেমাৰী সোমাবই পৰা নাই। আনকি ধৰ্মঘটৰ সময়ত এগৰাকী মহিলা বেমাৰীক অভিভাৱক নোহোৱাকৈয়ে আবেলি পৰত উলিয়াই দিয়াত তেওঁ নিৰুদ্দেশ হৈছে। মহিলাগৰাকী শোৱালকুছিৰ আছিল। আজিলৈকে কোনো সন্ধানেই পোৱা নাই। আনফালে পাঁচ জন ডাক্তৰে তেওঁলোকে তেওঁলোকৰ শিক্ষা শেষ কৰি ৰেলৱে বা আন আন বিভাগত কৰ্মসংস্থান পাইছে। কিন্তু certificate নিদিলে তেওঁলোকে চাকৰিত যোগদান কৰিব নোৱাৰে। ইয়াৰোপৰি আৰু বোলে কিবা Testৰ কথা কৈছে। ইয়াৰ দ্বাৰা নিবনুৱা সমস্যাৰ সৃষ্টি কৰা হৈছে। এই দুয়ো দিশৰ ফালৰ পৰা আমাৰ মাননীয় মন্ত্ৰীমহোদয়ে কি উত্তৰ দিয়ে বা হেৰাই যোৱা মহিলা গৰাকীৰ কাৰণে মেডিকেল কলেজৰ কৰ্তৃপক্ষই দায়ি হয়নে নহয় সেইটো ভালকৈ বিবেচনা কৰি আমাক জনালে সন্তোষ পাম।

শ্ৰীকামিমী মোহন শৰ্মা : উপাধ্যক্ষ মহোদয়, আমাৰ গুৱাহাটী মেডিকেল কলেজখনত মহম্মদ,বিন টোগলকৰ ৰাজত্ব চলিছে। কোনো কোনো ক্ষেত্ৰত মেডিকেল কলেজৰ অধ্যক্ষ জনে মহম্মদ বিন টোগলকৰ নীতি চলাইছে যেন তেওঁয়েই সৰ্ব্বেসৰ্ব্বা তেওঁৰ ওপৰত আৰু কোনো নাই। তেওঁ একনায়ত্ব চলাইছে। ইয়াৰ প্ৰকৃত তদন্ত হ'ব লাগে আৰু প্ৰকৃত ব্যৱস্থা লব লাগে। কাৰণ ইয়াত শিক্ষক ছাত্ৰ কাৰোৱেই নিৰাপত্তা নাই। আনকি বেমাৰীৰো নিৰাপত্তা নাই, ওচৰ-চুবুৰীয়ৰো

নিৰাপত্তা নাই। তাৰ ওচৰত যি পৰিয়ালবৰ্গ আছে তাৰ ওপৰতো সেই অধ্যক্ষ জনে জোৰ-জুলুম চলাইছে। আনকি বাহঁ বান্ধি ৰাস্থাৰে মানুহকো যাব নিদিয়ে। এই বিষয়তো বিধান সভাতো আলোচনা কৰা স্বত্বেও এই অধ্যক্ষজন ৰখাৰ কাৰণ কি — যি জনক মহমদ বিন টোগলক নাম দিব পাৰি। আজি যদি বৃহত্তৰ গুৱাহাটীতে এনেকুৱা অৱস্থা হয়, কোনো নিৰাপত্তা নাই তেতিয়াহলে অন্য ঠাইত কি হ'ব— নে ইয়াত মিনিষ্টাৰো লিপ্ত আছে নেকি? অসমৰ নিৰীহ জনসাধাৰণ ডাক্তৰ আৰু ছাত্ৰ-ছাত্ৰী সকলক জুলুম কৰাৰ কাৰণে মেডিকেল কলেজৰ অধ্যক্ষ জনক উচতাই দিছে নেকি? যদি চৰকাৰে উচতাই দিয়া নাই তেতিয়াহলে চৰকাৰে এই বিষয়ে তদন্ত কৰি বিহিত ব্যৱস্থা কৰিব লাগে নহলে ইয়াত এটা ভয়াবহ অৱস্থাৰ সৃষ্টি হ'ব। নহলে জনসাধাৰণৰ নিৰপত্তা নাথাকিব। এইটো অলপ আৰম্ভনীহে। ইয়াক থোৰতেই মাৰিব লাগে। যাতে ভৱিষ্যতে কোনো অধ্যক্ষই এনেকুৱা কাম কৰিব নোৱাৰে। ইয়াকে কৈ মই সামৰনি কৰিলো।

Shri Chatrasing Teron, (Minister, Health): The Students of the internship who are involved in the strike according to my information, are 179. Rotating housemen are those who after passing the final M.B.B.S examination undergo one year's practical training to enable themselves to get the licences for practising. Now, such students numbering 179 of the Gauhati Medical College are involed in the strike. Their principal grievances are that they have been asked to appear in a written and practical examination to be conducted by the Principal, Gauhati Medical College for issuing certificates of successful completion of one year internship so as to obtain medical registration certificate and the other thing is that they have been asked to submit diaries along with bills for drawing their monthly allowances and No. 3 that they are required to maintain the diaries during the course of their work in the hospitals. These three are the main

grievances of the students against the order of the Principal. Now, Sir, that it has been a fact that I fully agree with the contention of the Hon'ble member that in the past there has not been the practice of taking written or oral test to enable the Principal to issue certificates of their successful completion of this course. They have completed one year's rotating internship. That practice has not been there in the past before the students can get their licences. For that purpose the students go for completting one year course and undergo this training and at the end of the period on the recommendation of the head of the department the Principal issues, the final certificate. It appears to me that the issues involved are academic issues concerning matters pertaining to examination. This has sufficiently agitated the minds of the students. Now, in what procedure the certificate will be issued. It is to be decided by the Principal who is required to issue the certificate as to be adopting what procedure the certificate will be issued. But it is, of course a fact that in the past separate oral or written examination of one year's internship was not considered necessary. Of course, I am not conversent with the rules in this regard as to whether with or without written or oral examination such a certificate can be issued by the Principal or not, or the authority concerned can insist for examination.

Now, the Governmet have been very much seized of the problem and accordingly the Government have been very much seized of the problem and accordingly the Government have been in constat touch with the Principal and Vice-Chancellor. I have already stated that this matter relates

to academic issues and the matter involved regarding issue of certificate is less administrative tham academic. We have been in constant touch with the college authorities and we are anxious that a settlement is arrived at so that this situation is not allowed to continue. On 5.3.71 the College Council made a decision to form a committee to meet the striking students to discuss with them on what point they can agree. On 6.3.71 the Committee of Professors met the students and discussed with them and to a certain extent on some points there were some agreement. Students have agreed to submit diaries, and minutes of the meeting were also prepared. Now, my latest information is that today at 1-30 p.m. the College Council will meet and they will discuss and is likely to mee the students to finalise the entire issue. We feel that decision should be taken on the grievances of the students and I hope that they will be able to bring a solution and bring an end of the strike. Now, this in nut-shell, is the fact relating to different issues concering strike.

Shri Dulal Chandra Barua : Point of clarification Sir. Just now the Hon'ble Minister has stated that it is purely an academic matter. Therefore, from the administrative point of view the Government has already dealt with the administrative matters. They are not to intervene in acacemic matters. I want to know the existing rules and whether these are to be guided by Rules and Regulation of the Gauhati University. If so, whether Government have verified that this Principal has taken the University into confidence or he has done it by himself. In the academic matter

also there are All India Medical Council and no medical college can go beyond that rules and regulations. So far my knowledge goes, the Colleges are guided by certain rules and regulations. That is why they have not adopted such kind of holding examination. I want to know whether this institute is guided by- the University rules and regulation or has been guided by All India Medical Council Rules and Regulation ? If not, why this Principal has acted in that way ?

Shri Chatrasing Teron : As I have stated earlier, that examination, written or oral, was not insiated in the past after completion of one year's training ......... I am not cnnversant whether such rules exist. The students were issued certificate by the Principal even by the Principal of the Gauhati Medical College himself without taking oral or written examination test— that fact remain. Now, what my contention is that since this is an issue or this is a matter on which Principal of the Medical College is required to act and in what manner he will act that is a question which I think the Principal is required to decide. But the point is that as it has not been the practice in the past of taking any examination, written or oral, naturally students are agitated on the decision of the principal to instate on such oral and written examination. I think as they are discussing today, they will be able to arrive at a decision in this regard.

Shri Phani Bora : Whether this decision was taken at the instance of the University or the Medical Council or

whatever may be the Medical College or it was the whims of the Principal. As we know him very well there might have been some boys on whom he had eyes to get the certificate. He is so vindictive, so whimsical. Will the Minister please enquire it, will he tell us in whose instance such decision was taken at the last moment in this month i.e. in the month of February this order was issued suddenly. Some of the boys are in employment, some are without a certificate that is why they cannot join. Our Govt is aware on whose instances this sudden decision arrived at. If it is at the instance of the Principal then action against him will have to be taken.

Shri Chatrasing Teron : ( Interruption ) No instruction has been issued by the Govt. The students contacted the Vice-Chancellor and the Viee-Chancellor contacted the principal and requested him to send a report on this matter. I am not aware, up til now, whether the Principal has sent the report, or whether the Vice-Chancellor has received the report or not.

..................

**Leave of Absence to Member.**

Mr. Deputy Speaker : I, hereby inform the House that Shri Bisnuram Medhi an elected member of the Assam Legislative Assembly representing from Hajo Constituency has duly submitted an application for leave of absence

from the Assam Legislative Assembly which reads as follows :

Gauhati,

Dated 7th March, 1971

To

The Hon'ble Speaker,

Assam Legislative Assembly, Shillong.

Sub : PERMISSION FOR LEAVE OF ABSENCE FROM THE SITTNG OF THE BUDGET SESSIONS OF THE ASSEMBLY FROM 9TH MARCH, 1971 TO 12TH APRIL, 1971 UNLER APTICLE 190 (4) OF THE CONSTITUTION OF INDIA.

Honourable Sir,

I have to state that that due to my illness I could not attend the last Winter Session of the Assembly and I am afraid for the same reason. I may not be able to attend the Budget Sessions of the Assam Assembly commencing from 9th March, 1971 till it is adjournde on 12th April, 1971.

I therefore, request you kindly to grant me the permission for leave of absence from the sitting of the Budget Sessions of the Assembly commencing from 9th March, 1971 to 12th April, 1971.

Yours faithfully,

BISNURAM MEDHI

I think the House will grant leave of absence prayed for in the application.

Is the sense of the House that the leave of absence be granted to the hon'ble Member ?

( Leave was granted )

## Vote on Account for the first quarter of the financial year 1971-72

Shri Mahendra Mohan Choudhury ( Chief Minister ): Mr. Deputy Speaker, Sir, I beg to present the Vote-on Account for the first quarter of the financial year 1971-72.

## Supplementary Demand for Grants for 1970-71.

Shri Mahendra Mohan Choudhury ( Chief Minister ) : Mr. Deputy Speaker, Sir, I beg to present the list of Supplementary Demands for grants for 1970-71.

## Excess Demands for Grants for 1965-66

Shri Mahendra Mohan Choudhury ( Chief Minister ) : Mr, Deputy Speaker, Sir, I beg to present the list of Excess Demands for Grants for 1965-66.

Extension of time for submision of the Select Committee on the Gauhati Municipal Corporation Bill, 1969.

Shri Mahendra Mohan Choudhury ( Chief Minister ) : I beg to move "That this Assembly agrees to the extension of time for submission of the Report of the Select Committee on the Gauhati Municipal Corporation Bill, 1969 till 31st. August, 1971."

Shri Phani Bora : Since the prayer is made, the House will decide, I want to know as to when this Act is going to be passed and when election is going to take place at Gauhati. Sir, it is really very urgent. Why it is delayed and delayed again and again, I cannot understand.

Shri Mahendra Mohan Choudhury : I appreciate the

point of the hon'member. But the point is this, the draft bill is a voluminous one. The Select Committee has to go through it.

Mr. Deputy Speaker : Motion moved. Time is extended ( The motion was adopted ) Extension of time for submission of the Report of the Select Committee on the Assam ( Temporarily Settled Area ) Tenancy Bill, 1970.

Shri Biswadev Sarma, ( Minister, Revenue ) : "That this Assembly agrees to the extension of time for submission of the Report of the Select Committee on the Assam (Temporarily Settled Areas ) Tenancy Bill, 1970 till the later part of the Session of the Assembly."

Shri Phani Bora : It can be agreed for no further extension. ( The motion was adopted ) Extension of time for submimion of the Report of the Select Committee of the Assam Separation of Judicial and Executive Functions Bill 1969. Mr. Deputy Speaker, Sir, I beg to move.

Shri Sailen Medhi : "That this Assembly agrees to the extension of time for submission of the Report of the Select Committee of the Assam Separation of Judicial and Executive Functions Bill, 1969 till 30th April, 1971." ( The motion was adopted. )

Extension of time for submission of Report of the Privileges Committee.

Shri Phani Bora : Mr. Deputy Speaker, Sir, I beg to move "That this Assembly agrees to the extension of time till the end of this Budget Session of the Assembly, 1971 for submission of Report of the Privileges Committee relating to the complaint made by Shri Phani Bora, M.L.A. against

(1) the Editor of Assam Tribune, Gauhati (2) the Special Correspondent and Representative of Assam Tribune at Shillong. (The motion was adopted ).

Discussion on a matter of urgent public importance for short duration— Rising prices of food articles in Assam.

Mr. Deputy Speaker : Shri Kalita is absent.

**Debate On The Governor's Address**

শ্ৰীধৰণীধৰ চৌধুৰী :—

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণটো পৰ্য্যালোচনা কৰি তেখেতৰ ভাষণটো সদনে গ্ৰহণ কৰিবৰ অৰ্থে এটা প্ৰস্তাব ডাঙি ধৰি মই কেইটামান কথা উল্লেখ কৰিব খুজিছো। ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত যোৱা বছৰত ঘটা প্ৰায়বিলাক গুৰুত্বপূৰ্ণ ঘটনাৰে উল্লেখ কৰিছে।

শ্ৰীহীৰালাল পাটোৱাৰী : Sir, before bringing in this matter. whether it is necessary for me to read out my motion.

শ্ৰীধৰণীধৰ চৌধুৰী : ৰাজ্যপাল মহোদয়ে ৰাজ্যখনৰ প্ৰায়বিলাক মূল সমস্যাৰ কথা তেখেতৰ ভাষণত উল্লেখ কৰিছে লগতে সেই সমস্যাসমূহ সমাধানৰ কাৰণে চৰকাৰে লোৱা সিদ্ধান্ত সমূহৰ কথাও উল্লেখ কৰিছে। তেখেতৰ ভাষণৰ উল্লেখযোগ্য ঘটনা হৈছে আমাৰ অতি প্ৰিয় প্ৰবীন নেতা শ্ৰীচলিহা প্ৰথম অৱস্থাত স্বাস্থ্যৰ অবনতিৰ কাৰণে মুখ্য মন্ত্ৰীৰ দায়িত্বৰ পৰা অব্যাহতি লাভ আৰু পাচত ইহলীলা সম্বৰণ। এই মহান সুদক্ষ প্ৰশাসক প্ৰবীন নেতা গৰাকীৰ পূণ্য স্মৃতিত মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। দ্বিতীয়তে জাতীয় কংগ্ৰেছৰ ভাঙোনমুখী অৱস্থাতো অসম কংগ্ৰেছ বিধায়িনী দলত বিনা প্ৰতিদ্বিতাৰে শ্ৰীচৌধুৰী ডাঙৰীয়াই দলৰ নেতা নিৰ্বাচিত হৈ মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাটো তেখেতৰ ভাষণৰ এটি উল্লেখযোগ্য ঘটনা। শ্ৰীচৌধুৰীৰ নিচিনা এজন মহান আৰু বিচক্ষণ নেতাই ৰাজ্যখনক অধিকতৰ প্ৰগতিৰ পথত আগবঢ়াই নিব পাৰিব বুলি দৃঢ় বিশ্বাস ৰাখিছো। তৃতীয়তে উল্লেখযোগ্য

ঘটনা হ'ল যোৱা লোকসভাৰ মধ্যকালীন নিৰ্বাচন। ভাৰতবৰ্ষৰ ৰাজনৈতিক ৰিপৰ্য্যয়ৰ আৱহাওৱাত লোকসভাৰ নিৰ্বাচন অসমত অতি শান্তিপূৰ্ণভাবে সমাধান হৈ যোৱাটো অতি সুখৰ কথা। ইয়াৰ দ্বাৰায় প্ৰমাণিত হৈছে যে অসমৰ জনসাধাৰণৰ গণতন্ত্ৰৰ প্ৰতি গভীৰ আস্থা আছে আৰু অসমৰ জনসাধাৰণ অতি শান্তিপ্ৰিয়। শান্তিপূৰ্ণভাবে নিৰ্বাচন পৰিচালনা কৰাৰ বাবে অসমৰ জনসাধাৰণ অসম চৰকাৰ আৰু অসমৰ ৰাজনৈতিক দলসমূহ আমাৰ ধন্যবাদৰ পাত্ৰ।

( Quorum bell )

ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত উল্লেখ কৰিছে যে, ৰাজ্যখনত যোৱা বছৰ সাম্প্ৰদায়িক সম্প্ৰীতি অটুত আছিল। এইটো নিশ্চয় এটি সু-সংবাদ। কিন্তু এইখিনিতে মই উল্লেখ নকৰি নোৱাৰিলো যে যোৱা সাধাৰণ নিৰ্বাচনত অসমৰ কিছু কিছু অঞ্চলত সাম্প্ৰদায়িক আৰু গোষ্ঠীগত মনোভাবে প্ৰবলভাবে গা কৰি উঠাটো লক্ষ্য কৰা হৈছে। এইটো দুৰ্ভাগ্যজনক। ই অসমৰ কাৰণে নাইবা গোটেই দেশখনৰ বাবে মঙ্গলজনক হ'ব নোৱাৰে। সাম্প্ৰদায়িক আৰু গোষ্ঠীগত মনোভাবে সমাজত ভেদাভেদ সৃষ্টি কৰি সমাজক দুৰ্বল কৰি ধ্বংসৰ ফালে ঠেলি দিয়ে। দেশৰ ৰাজনৈতিক লক্ষ্য হ'ব লাগে সম্প্ৰদায় বা গোষ্ঠীভেদে প্ৰত্যেক মানুহৰ তথা প্ৰত্যেকজন নাগৰিকৰে সমাজত সমঅধিকাৰ স্থাপন কৰি সকলোকে একত্ৰিত কৰি যুক্তিপূৰ্ণ আচনিৰ জৰীয়তে শ্ৰমকৰি দেশৰ উৎপাদনৰ প্ৰাচুৰ্য্যতা বৃদ্ধিকৰি লগতে সম বিতৰণৰ ব্যৱস্থা প্ৰতিষ্ঠা কৰি দেশৰ আৰ্থিক সমস্যা সমাধান কৰা। তাৰ পৰিবৰ্তে যদি সাম্প্ৰদায় বা গোষ্ঠীসমূহৰ মাজত ভেদা ভেদ সৃষ্টি কৰা যায় তেন্তে সমাজৰ ভাঙোন আহিব, সমাজ তথা দেশ সকলো ফালৰ পৰা দুৰ্বল হৈ যাব আৰু দেশৰ প্ৰগতিৰ পথ বন্ধ হৈ দেশ ধ্বংসৰ ফালে যাব। সেই কাৰণে মই চৰকাৰ, ৰাজনৈতিক দলসমূহ আৰু সকলো প্ৰগতিবাদী নাগৰিককে সাম্প্ৰদায়িকতা আৰু গোষ্ঠীগত মনোভাব মষিমূৰ কৰিবলৈ যেন সচেষ্ট হয় তাৰ বাবে বিনীত নিবেদন জনালো।

ৰাজ্যপাল মহোদয়ে ৰাজ্যিক বিত্তীয় অৱস্থা হোৱা কেইবছৰমান ধৰি সন্তোষ-জনক নহয় বুলি কৈছে। জীৱন ধাৰণৰ খৰচৰ উচ্চ নিৰিখ আৰু বিষয়া সকলৰ কষ্টলৈ চাই দৰমহাৰ হাৰ সংশোধন আৰু অন্যান্য সংশিষ্ট বিষয়ৰ পৰীক্ষা কৰিবলৈ এটি দৰমহা কমিটি গঠন কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে। কৰ্মচাৰী সকলৰ সুখ সাচ্ছন্দৰ ব্যৱস্থা কৰাটো চৰকাৰৰ কৰ্তব্য। কিন্তু দৰমহাৰ নিৰিখ বঢ়াই

দিয়াৰ সিদ্ধান্তলৈ অহাৰ আগেয়ে অসমৰ জনসাধাৰণৰ আৰ্থিক অৱস্থাৰ প্ৰতি যাতে লক্ষ্য কৰে — তাৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো। মনত ৰাখিব লাগিব যে কৰ্মচাৰীসকল জনসাধাৰণৰ অংশবিশেষ। বৰ্তমানে অসমৰ জনসাধাৰণৰ আৰ্থিক অৱস্থা বৰ বেয়া হেতুকে নানা ধৰণৰ দুখ কষ্ট ভুগিব লগা হৈছে যেতিয়া কৰ্মচাৰী সকলোৰে ও দুখ-কষ্টৰ বোজা বৰ লাগিব। যদি জন-সাধাৰণৰ আৰ্থিক অৱস্থা উন্নত হয় তেন্তে কৰ্মচাৰী সকলেও বেচি সা-সুবিধা নিশ্চয় পাব। গতিকে জনসাধাৰণৰ আৰ্থিক অৱস্থা টনকীয়াল কৰিব পৰা কামতহে প্ৰথমে চৰকাৰে গুৰুত্ব দিয়াটো বাঞ্ছনীয়। জনসাধাৰণৰ আৰ্থিক উন্নতি কৰিবলৈ হ'লে উৎপাদনমুখী আঁচনিবোৰতহে বেচি ধন খটুৱাব লাগিব। জনসাধাৰণৰ আৰ্থিক অৱস্থাৰ উন্নতি নহলে ৰাজ্যৰ পুজিলৈ বেচি ধন আহিব ক'ৰ পৰা? ৰাজ্যিক পুজিত আৰ্থিক ধন নাথাকিলে বৰ্দ্ধিত হাৰত কৰ্মচাৰী সকলক দৰমহা দিব ক'ৰ পৰা? সেই দেখি কৰ্মচাৰী সকলৰ দৰমহা বৃদ্ধিৰ কথা জনসাধাৰণৰ আৰ্থিক উন্নতিৰ ভেটিত বিবেচনা কৰাহে উচিত।

ৰাজ্যপাল মহোদয়ে দেশৰ জটিল হৈ উঠা নিবনুৱা সমস্যাৰ কথা উল্লেখ কৰিছে। এই বাটি অহা জটিল নিবনুৱা সমস্যাত চৰকাৰ চিন্তিত হৈ পৰিছে। নিয়োগ বিনিময় কেন্দ্ৰৰ হিচাপ মতে ৩১/১২/৭০ নিবনুৱাৰ সংখ্যা ৭৮,০৫০ জনলৈ বৃদ্ধি পাইছে। কিন্তু দৰাচলতে নিবনুৱাৰ সংখ্যা ৰাজ্যখনত ইয়াতকৈ বহুত বেচি। গাঁও-ভূয়ে সিচৰিত হৈ থকা অসংখ্য নিবনুৱা লোকৰ সংখ্যা হিচাবলৈ অহা নাই। নিবনুৱা লোক সকলৰ বাবে কৰ্ম সংস্থানৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ উদ্‌গ্ৰীব।

কৰ্ম সংস্থানৰ চাবি-কাঠি কৃষিৰ ক্ষেত্ৰতেই যে আছে সেই কথা চৰকাৰে উপলব্ধি কৰিছে। কৃষি আধুনিক কৰণৰ দ্বাৰায় নিবনুৱা সমস্যা সমাধান হ'ব বুলি চৰকাৰে আশা পোষণ কৰিছে। এই ক্ষেত্ৰত চৰকাৰে লোৱা আচনিসমূহ দ্ৰুতগতিত কাৰ্য্যকৰী কৰিবৰ বাবে মই চৰকাৰক টানি অনুৰোধ জনাওঁ। কৃষিৰ উন্নতি মূলতঃ নিৰ্ভৰ কৰিছে কৃষিত আৱশ্যকীয় পানীৰ যথা সময়ত যোগান ধৰা ব্যৱস্থাৰ ওপৰত। বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰ কৰি আধুনিক কৃষি পদ্ধতি প্ৰকৃতিৰ অনিশ্চয়তাৰ ওপৰত বৰ্তি থাকিব নোৱাৰে। সেয়েহে পানী যোগানৰ অৰ্থে ইতিমধ্যে চৰকাৰে কিছুমান জলসিঞ্চনৰ আচনি লৈছে কিন্তু এইটো স্বীকাৰ কৰিব লাগিব যে চৰকাৰে লোৱা আচনিবিলাক

আমাৰ ৰাজ্যখনৰ চাহিদা অনুপাতে নিচেই কম। তাৰ উপৰিও এই আচনি বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে যিমান তৎপৰ হ'ব লাগিছিল সিমান তৎপৰতাৰে কামবোৰ হোৱা নাই। মই আশা কৰো চৰকাৰে অচিৰাৎ এখন ব্যাপক জলসিঞ্চনৰ আচনি গ্ৰহণ কৰিব। বিশেষকৈ lift-irrigation ৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব। বিদ্যুৎবাহী লাইন গাঁৱে-ভূঁয়ে বিস্তাৰ কৰি বিজুলী পৰিচালিত পাম্পৰ দ্বাৰা সকলো খেতি পথাৰত নিয়মীয়াকৈ জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰিলে বহুতো নিবনুৱা লোকৰ কৰ্ম সংস্থান হোৱাৰ উপৰিও ৰাজ্যখনৰ কৃষি উৎপাদন দুই তিনি-গুণ বৃদ্ধি কৰিব পৰা যাব আৰু তেতিয়াহে ৰাজ্যখনৰ অৰ্থনৈতিক সচ্ছলতা আশা কৰিব পৰা যাব।

উপান্ত খেতিয়ক, ভূমিহীন কৃষক আৰু গাঁৱলীয়া কাৰিকৰ সকলৰ সাহায্যাৰ্থে গুৱালপাৰা, কামৰূপ, নগাওঁ আৰু মিকিৰ পাহাৰত চাৰিখন আচনি লোৱা হৈছে। এই আচনিবোৰৰ দ্বাৰায় সেই জিলাসমূহৰ প্ৰায় ১$\frac{১}{২}$ লাখ লোক উপকৃত হ'ব। এই প্ৰসঙ্গতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে যদি গাঁৱলীয়া অঞ্চলত উন্নত ধৰণে গৰুগাই পোহা, হাঁহ কুকুৰা আদি পোহাৰ ব্যৱস্থা লোৱা হয় তেতিয়া হলে তাৰ দ্বাৰায় গাঁৱলীয়া ৰাইজৰ আৰ্থিক উন্নয়নৰ সহায়ক হ'ব আৰু দেশত পুষ্টিকৰ আহাৰৰ উৎপাদনও বৃদ্ধি হ'ব। মই কিছুদিন আগতে মাননীয় কৃষি মন্ত্ৰীৰ লগত ঘূৰি ফুৰোতে গৌহাটীত কেইখনমান সৰু সৰু ফাৰ্ম চাইছিলো। তাত দেখিলো যে কিছুমান সাধাৰণ মানুহে ৪/৫ জনী ভাল গৰুগাই পুহিছে আৰু তাৰ উপাৰ্জনেৰে খাইবইও ১৫/১৬ হাজাৰ টকা বছৰে বছৰে দেশলৈ পঠাইছে। এইবোৰ প্ৰায়য়েই নেপালী মানুহ মাত্ৰ এজন অসমীয়া মানুহ আৰু এজন স্থানীয় বঙালী মানুহ। তেনেদৰে মুৰ্গী পুহিও একোজন মানুহে মাহত ৫০০ ৰ পৰা ১০০০ টকালৈ উপাৰ্জন কৰিছে। গতিকে এই সৰু সৰু লাভজনক আচনি বিলাক ৰাইজৰ মাজত ব্যাপক ভাবে প্ৰচাৰ কৰি সেই আচনি সমূহ কাৰ্য্যকৰী কৰিব পাৰিলে গাঁৱলীয়া মানুহ বিলাক বিশেষভাৱে উপকৃত হ'ব। সেই দেখি নতুন আচনিসমূহত এইবোৰ কামৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিৎ হ'ব বুলি মই ভাবো।

ভূমিহীন খেতিয়ক সকলৰ সংস্থাপনৰ অৰ্থে অসম চৰকাৰে কেবাখনো সংৰক্ষিত বনাঞ্চল মুকলি কৰি ভূমিহীন খেতিয়ক সকলক পত্তন দিয়া হৈছে। বৰপেটা মহকুমাত কাৱৈমাৰী ৰিজাৰ্ভ খনো খুলি দি কিছুমান ভূমিহীন খেতিয়কক মাটি

পত্তন দিছে। কিন্তু আগতে বেদখল কৰি থকা কিছুমান মানুহে বলপূৰ্ব্বক চৰকাৰে পত্তন দিয়া ভূমিহীন খেতিয়ক সকলক খেদি পঠাই তেওঁলোকে আকৌ সেই মাটি বেদখল কৰিছে। গৰীব ভূমিহীন খেতিয়ক সকল দুৰ্ব্বল লোক। তেওঁ বিলাকে বেদখলকাৰী বলবান মানুহ বিলাকৰ লগত যুজিবও নোৱাৰে আন পিনে পইচাৰ অভাৱত আদালতত মোকদ্দমাও কৰিব নোৱাৰে। ফলত চৰকাৰৰ ভূমিহীন খেতিয়কক মাটি পত্তন দি সিবিলাকক সংস্থাপন কৰাৰ নীতিত ব্যাঘাত জন্মিছে। সেইদেখি মই চৰকাৰক অনুৰোধ জনাইছো যেন অতি সোনকালে কাৰৈমাৰী ৰিজাৰ্ভত পুলিচ প্ৰহৰাৰ জৰিয়তে দুৰ্ব্বৃত্ত বিলাকক খেদি দি মাটি পত্তন পোৱা প্ৰকৃত ভূমিহীন খেতিয়ক সকলক ৰক্ষনাবেক্ষন দি সংস্থাপন কৰে। আনহাতে মানাস অভয়াৰন্যৰ কালেগাওঁ অঞ্চলত আজি কেইবাবছৰ ধৰি হাজাৰ হাজাৰ মানুহে বেদখল কৰি আছে। বেদখলকাৰী বিলাকে প্ৰায় ভোটানৰ সীমালৈকে গছ-গছনি কাটি বনৰীয়া জন্তু আদি মাৰি অভয়াৰণ্য খন ধ্বংস কৰিছে। কিছুমান বেদখলকাৰীয়ে অবৈধ ভাবে গছ কাটি বিনাবাধায় কাঠৰ চোৰাং কাৰবাৰ কৰি ধন ঘটিছে। কিছুদিন আগতে এটা গড়ও হত্যা কৰাৰ কথা আমি শুনিবলৈ পাইছো। এই বেদখলকাৰী বিলাক প্ৰায় অসমৰ আন আন অঞ্চলৰ মানুহ। তেওঁবিলাকে সেই অঞ্চলত এটা চাঞ্চল্যকৰ অৱস্থা সৃষ্টি কৰিছে। কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই অঞ্চললৈ যাওঁতে ৰাজহুৱা সভাত সেই অঞ্চলৰ বাইজে বেদখলকাৰীসকলক উচ্ছেদ কৰি সেই অঞ্চলৰ পৰা খেদি পঠাবলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছিল। লগতে তেওঁখতক অনুৰোধ জনাইছিল যে যদি কিছু মাটি কালেগাওঁ অঞ্চলত খুলি দিব পৰা যায় তেন্তে সেই মাটিত স্থানীয় ভূমিহীন খেতিয়কসকলক পত্তন দিব লাগে। যদি অভয়াৰণ্যৰ বাহিৰত ভূমি পত্তন দিয়া উচিত বুলি চৰকাৰে নাভাবে তেনেহলে তাত সুদৃঢ় পহৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু কিছু মাটি যদি স্থানীয় ভূমিহীন লোকক পত্তন দিবৰ বাবে খুলি দিব পৰা যায় তেন্তে অতি সোনকালে মাটি খুলি পত্তন দিয়াৰ ব্যৱস্থা কৰিব লাগে। সেই অঞ্চলৰ গৰীব ভূমিহীন খেতিয়ক সকলে বহুবছৰৰ পৰা সেই মাটিত পত্তন পাবৰ আশা কৰি আছে। এই বিষয়ে অতি সোনকালে এটা সিদ্ধান্তত আহিবলৈ মই চৰকাৰক নিবেদন জনালো।

ৰাজ্যখনৰ প্ৰগতিৰ পথত ডাঙৰ অন্তৰায় হৈছে বানপানী। বানপানীয়ে

বছৰে বছৰে ৰাজ্যখনৰ খেতিবাতি নষ্ট কৰি ঘৰদুৱাৰ আলি পদুলি ভাঙি ৰাজ্য-খনত নানা আহুকালৰ সৃষ্টি কৰে। অসমৰ বানপানী নিয়ন্ত্রন সমস্যাটো অতি জটিল আৰু ব্যয়বহুল সেই দেখি এই সমস্যাৰ সমাধান ৰাজ্যিক চৰকাৰৰ শক্তি সামৰ্থৰ বাহিৰত হেতুকে অসম চৰকাৰ আৰু অসম বিধান সভাই এই সমস্যাটো জাতীয় সমস্যা হিচাবে গ্ৰহণ কৰি এই সমস্যা সমাধানৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে লব লাগে বুলি হেচা দিয়াত কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ আয়োগ গঠন কৰাত ৰাজ্যখনত এটা নতুন আশাৰ সৃষ্টি কৰিছিল। এই আয়োগৰ দ্বাৰায় বান নিয়ন্ত্ৰণ ক্ষেত্ৰত আগবাঢ়ি যাব পৰা হব বুলি আমি আশা কৰিছো। কিন্তু আমি হতাশ হৈছো যে এই বছৰত খৰছ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে আয়োগক কোনো আৰ্থিক সহায় দিয়া নাই আৰু ফলত আয়োগে কৰ্মক্ষেত্ৰত আগবাঢ়ি যাব পৰা নাই। ৰাজ্যখনত যোৱা বছৰ যি প্ৰলয়ঙ্কাৰী বানপানী হৈ অশেষ ক্ষতি কৰিলে এই বছৰত সেই একে বান পানীৰ ক্ষতিৰ কাৰণে ৰাজ্যজুৰি জনসাধাৰনে ভয়াবহ ভবিষ্যতৰ কাৰণে আতঙ্কিত হৈ থাকিব লগা হৈছে। যিবিলাক অঞ্চলত যোৱা বছৰ বান পানীয়ে ক্ষতিগ্ৰস্ত কৰিছিলে সেইবোৰ অঞ্চলত এই বছৰেও একো প্ৰতিৰোধমূলক কাম নহোৱাত সেইবোৰ অঞ্চলৰ মানুহ বিলাক ভয়াবহ অৱস্থা সন্মুখত লৈ দিন নিয়াব লগা হৈছে। আমাৰ বানপানী পিড়ীত লোকসকলক ৰক্ষা কৰিবলৈ ব্ৰহ্মপুত্ৰ আয়োগে আগবাঢ়ি নাহিলে অসম চৰকাৰে নীৰৱে থাকিব নোৱাৰে। ব্ৰহ্মপুত্ৰ আয়োগক বান নিয়ন্ত্ৰনৰ দায়িত্ব দি অসম চৰকাৰে দায়িত্ব এৰাব নোৱাৰে। অসম চৰকাৰে অসমৰ বান পিড়ীত লোক সকলক ৰক্ষা কৰিবই লাগিব। সেই দেখি মই চৰকাৰক অনুৰোধ কৰো যে ব্ৰহ্মপুত্ৰ আয়োগৰ জৰীয়তেই হওঁক নাইবা অসম চৰকাৰৰ ফালৰ পৰাই হওঁক যোৱা বছৰ ক্ষতিগ্ৰস্ত অঞ্চল বিলাক ৰক্ষাৰ কাৰণে দেৰী হৈছে যদিও এতিয়াও কাম হাতত লব লাগে।

যোৱা বছৰত উদ্যোগৰ ক্ষেত্ৰত লোৱা সিদ্ধান্তসমূহ নিশ্চয় উৎসাহজনক। এই উদ্যোগবিলাক গঢ়ি উঠিলে নিশ্চয় অসমৰ উন্নতি হ'ব। বঙাইগাওঁত শোধানাগাৰ আৰু পেট্ৰোকেমিকেল চক্ৰ, সমুদায় D.M.T পোলিয়েষ্টাৰ ফাইবাৰ অসমতে ব্যৱহাৰ কৰিব দিয়া অনুমতি, বোকাজানত বিলাতিমাটি কাৰখানা, হোজাই আৰু কাছাৰত দুটা কাগজৰ কল, কাছাৰত চেনিকল, নামৰূপত পেট্ৰোকেমিকেল চক্ৰ, যোগীঘোপাত কাগজৰ কল স্থাপন কৰিবলৈ কৰা সিদ্ধান্তসমূহ আশাপ্ৰদ। এই উদ্যোগ

বোৰে অসমৰ অৰ্থ নৈতিক অৱস্থাৰ বিৰাট পৰিবৰ্তন অনাত নিশ্চয় সহায়ক হ'ব। এই উদ্যোগবোৰ প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্তসমূহ আমাক আশান্বিত কৰি তুলিছে যদিও আমি সজাগ দৃষ্টি ৰাখিব লাগিব যাতে এই উদ্যোগসমূহে যেতিয়া বাস্তৱ ৰূপ লব তেতিয়া এই উদ্যোগসমূহৰ সকলো প্ৰকাৰৰ সা-সুবিধা অসমৰ থলুৱা লোকে পায়। তাৰ বাবে অসম চৰকাৰ সজাগ আৰু সচেষ্ট হ'ব লাগিব। যদি এই উদ্যোগসমূহৰ সকলো প্ৰকাৰ সা-সুবিধা অসমবাসী ৰাইজে গ্ৰহণ কৰিব নোৱাৰে তেন্তে এই উদ্যোগসমূহ গঢ়ি উঠিলেও অসমবাসী ৰাইজৰ আৰ্থিক উন্নতি নহব আৰু অসমৰ নিবনুৱা সমস্যা সমাধানতও সহায়ক নহ'ব।

আঞ্চলিক অসমতা আতৰোৱাৰ বাবে লোৱা চৰকাৰৰ প্ৰচেষ্টা প্ৰশংসনীয়। গোৱালপাৰা, মিজো, মিকিৰ আৰু কাছাৰ জিলাক পিচপৰা অঞ্চল বুলি ধৰি লৈ সিবিলাক জিলাৰ উন্নয়নত অধিক গুৰুত্ব দিয়াটো সজ কথা। গোৱালপাৰা আৰু কাছাৰ জিলাত উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ ইতিমধ্যে লোৱা সিদ্ধান্তসমূহে নিশ্চয় এই জিলা দুখনৰ প্ৰগতিত সহায়ক হব। এইখিনিতে বিশেষ ভাবে এটা কথা উল্লেখ কৰিব খুজিছো। গুৱাহাটী কামৰূপ জিলাত অৱস্থিত আৰু সেই বুলি গুৱাহাটীত হোৱা শিল্প প্ৰতিষ্ঠাৰ পৰা যদি সমগ্ৰ কামৰূপ জিলাখন উন্নত জিলা সমূহৰ ভিতৰত গণ্য কৰা হয় তেন্তে বৰ দুখৰ কথা হব। কাৰণ উত্তৰ কামৰূপ অঞ্চলটো এটা বিৰাট অঞ্চল একেবাৰেই পিচপৰা। বৰপেটা, নলবাৰী মহকুমা দুখনত জন বসতিৰ হাৰ অসমৰ ভিতৰতে উচ্চ আৰু এই মহকুমা দুখনত কোনো ৰকমৰ শিল্পই এতিয়ালৈ গঢ়ি উঠা নাই অথচ দিনক দিনে প্ৰবল বেগে এই অঞ্চলত নিবনুৱাৰ সমস্যা অতি জটিল হৈ উঠিছে। এই অঞ্চলসমূহত পতিত মাটি-বাৰীও নাই কৃষি সম্প্ৰসাৰণৰ বাবে। এনে অৱস্থাত এই অঞ্চলত সম্ভৱপৰ শিল্পসমূহ প্ৰতিষ্ঠা কৰিবৰ বাবে চৰকাৰক মই অনুৰোধ জনাওঁ। বৰপেটা মহকুমাত মৰাপাটৰ উৎপাদন বেছি, গতিকে এই অঞ্চলত আৰ্থিক উন্নতি আৰু নিবনুৱা সমস্যাৰ সকাহ দিবৰ বাবে এটা মৰাপাটৰ কল প্ৰতিষ্ঠা কৰিবলৈ যেন চৰকাৰে অনতিপলমে সিদ্ধান্ত গ্ৰহণ কৰে।

অসমৰ প্ৰধান চাহ শিল্পৰ সঙ্কট দূৰ কৰি চাহ শিল্পৰ উন্নতিৰ উদ্দেশ্যে গুৱাহাটীত চাহ নিলাম বজাৰ প্ৰতিষ্ঠা কৰাটো বছৰৰ এটা উল্লেখযোগ্য ঘটনা। এই নতুন চাহ নিলাম বজাৰখনৰ উত্তৰোত্তৰ প্ৰগতি কামনা কৰিলো।

আমাৰ যুৱকসকলৰ ভিতৰত দেখা দিয়া অস্থিৰতা দূৰ কৰিবলৈ সাংস্কৃতিক আৰু আবেগিক সংহতি সাধনৰ উদ্দেশ্যে আৰু সুস্থ আৰু গঠনমূলক দৃষ্টিভঙ্গী গঢ়ি তুলিবলৈ কেইটামান বিনোদন শিবিৰ মুকলি কৰিবলৈ লোৱা সিদ্ধান্ত সময়োচিত হৈছে। নিশ্চয় এই নতুন প্ৰচেষ্টাটো কৃতকাৰ্য্য কৰিবলৈ আমাৰ যুৱক সকল আগবাঢ়ি আহিব আৰু এই প্ৰচেষ্টাৰ জৰীয়তে আগবঢ়োৱা সা-সুবিধা খিনি তেওঁলোকে গ্ৰহণ কৰিব। সৰ্ব্বশেষত ৰাজ্যপাল মহোদয়ৰ সামৰণি কথাখিনি উল্লেখ কৰি মোৰ কথাৰ মুখনি মাৰিম। "আমাৰ সন্মুখত থকা সময়বোৰ সঙ্কটপূৰ্ণ; কিন্তু সেইবোৰে এখন সুন্দৰতৰ, অধিক সমৃদ্ধিশালী আৰু অধিক সমভাবাপন্ন সমাজ গঢ়ি তোলাৰ আমাৰ যি সঙ্কল্প সেই সঙ্কল্প ৰূপদানত আমাক বাধা দিব নালাগিব। সেয়ে এখন বৃহত্তৰ অসম তথা বৃহত্তৰ ভাৰতবৰ্ষ গঢ়ি তোলাৰ অৰ্থে একগোট হৈ শান্তি আৰু নিষ্ঠাৰে কঠোৰ শ্ৰম কৰিবলৈ সঙ্কল্পবদ্ধ হওঁ আহক" এই আহ্বানৰ প্ৰতি সকলোৰে সহাৰি কামনা কৰি মই আগবঢ়োৱা প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ সকলোকে নিবেদন জনালোঁ।

**Shri Lakhyadhar Choudhury** : Mr. Dy. Speaker, Sir, I beg to move my amendment.

**Mr. Dy. Speaker** : Amendment moved.

**Shri Dulal Chandra Barua** : Sir, I also move my amendment.

**Mr. Dy. Speaker** : Motion moved. All the motions moved.

**শ্ৰীলক্ষ্যধৰ চৌধুৰী** :

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ নুশুনি পঢ়ি চালোঁ। এই ভাষণ পঢ়ি এনে অনুভৱ হৈছে — আমাৰ ৰাজ্যপাল প্ৰায় ৪ বছৰৰ অধিক কাল অসমত থাকিও অসমৰ চাৰিসীমা— অসমৰ ভৌগলিক মেপ্পৰ অজ্ঞতা দেখি ভাব হৈছে যে তেওঁৰ শৰীৰটোহে ইয়াত আছে, মন ইয়াত নাই। তেতিয়ে অসমৰ যি ছবি

আঁকিছে সেই ছবিটো যেন সিংহৰ ছবি আঁকোতে ভেৰাৰ ছবি হৈছে। তাৰ নমুনা কেইটামান মই দেখুৱাব খুজিছো।

তেখেতে প্ৰথমতে কৈছে যে ইয়াত শান্তিপূৰ্ণভাৱে গণতন্ত্ৰ পৰিচালিত হৈছে। এইটো সম্পূৰ্ণ অসত্য কথা কৈছে। আজি গণতন্ত্ৰৰ কবৰ ৰচনা কৰা হৈছে। যোৱা নিৰ্বাচনত আমাৰ শাসক কংগ্ৰেছে যি গণতন্ত্ৰৰ নমুনা দেখুৱালে তাৰ উদাহৰণো দিম। গুৱাহাটী, ধুবুৰী আৰু মিজোপাহাৰত কি কৰিছে? মিজো পাহাৰত ১৪৪ ধাৰা জাৰি কৰি নিৰ্বাচন পাতিছে। তাৰ পৰা আমাৰ প্ৰাৰ্থীলৈ মুখ্যমন্ত্ৰীয়ে তাঁৰ কৰা স্বত্বেও ১৪৪ ধাৰা উঠাই লোৱা নাই। আনহাতে চৰকাৰী কৰ্মচাৰীৰ দ্বাৰা কংগ্ৰেছৰ কাৰণে ভোট সংগ্ৰহ কৰিছে। মিজো পাহাৰত গাওঁ পুনৰ সংগঠনৰ নামত মিজোসকলক কাৰাগাৰত ৰাখি অত্যাচাৰ কৰি জুলুম কৰিছে। বৰপেটাত বানপানীৰ সময়ত যিটো কৰা নাই এতিয়া কৰিছে অৰ্থাৎ বিনামূলীয়া চাউল, আটা বিতৰণ কৰিছে। খাৰুপেটিয়াত কংগ্ৰেছী মন্ত্ৰীয়ে নিৰ্বাচনী অভিযান চলাইছে যে গাই দমৰাক ভোট নিদিলে মুছলমান থাকিব নোৱাৰিব। ধুবুৰীত প্ৰচাৰ কৰি দেখুৱাইছে ৪ জন প্ৰসিদ্ধ মুছলমানে মক্কাৰ মজিয়া মচিছে আৰু তাৰ ভিতৰত এজন হৈছে শ্ৰীময়নুল হক চৌধুৰী। মই নিজে শুনিছো কংগ্ৰেছী নিৰ্বাচনী সভাত কংগ্ৰেছী লোকে কৈছে যে প্ৰজা চছিয়েলিষ্ট প্ৰাৰ্থী শ্ৰীহেম বৰুৱাক ভোট দিলে গো-মাংস খোৱাৰ দৰে হব। ১৯৫২ চনৰ পৰা নিৰ্বাচন দেখিছো কিন্তু কোনো কালে এনে বিষাক্ত প্ৰচাৰ হোৱা দেখা নাই। তাৰোপৰি চৰকাৰে শুদ্ধ ভোটৰ তালিকা তৈয়াৰ নকৰিলে। ১৯৬৭ চনৰ তালিকাত থকা বহুত ভোটাৰৰ নাম এই নতুন ভোটাৰ তালিকাত নাই। ফলত অকল গুৱাহাটীতে ১৮ হেজাৰ লোক ভোটাধিকাৰৰ পৰা বঞ্চিত হৈছে। মোৰ সমষ্টিত ২ খন গাওঁৰ মানুহৰ ভোট নাই। এইবোৰৰ শীঘ্ৰে প্ৰতিকাৰ নহলে নিৰ্বাচনী অফিচ উৱাই দিয়া হব। কিন্তু এইবাৰ জুই জ্বলি গৈছে। গুৱাহাটীত নিৰ্বাচন পতা নাই। ১৯৬৫ চনৰে পৰা Supersede কৰি municipality চলাই আছে। তাত নিৰ্বাচন পাতিব লাগিব। দক্ষিণ শালমৰা, মানকাছাড়ত ভয় দেখুৱাই নিৰ্বাচন পাতিছে।

Shri Mahendra Mohan Choudhury (Chief Minister) : Mr. Deputy Speaker, Sir, can the Governor be criticised in the House?

Mr. Deputy Speaker : Mr. Choudhury, the Governor's speech is a policy statement of the Government, you can criticise the Government, but not the Governor.

শ্ৰীলক্ষ্যধৰ চৌধুৰী :

আনফালে তেখেতে লিখিছে পূব-পাকিস্তান শান্তি অৱস্থাত আছে। এতিয়া শান্তি অৱস্থাত আছে নে কি ? গৰু-ম'হ, চুৰি ডকাইতি আদি হোৱাৰ বাহিৰে কোনো অশান্তি নাই বুলি কৈছে, কিন্তু হুৰ-হুৰাই হিন্দু মুছলমান ভাই সকলে আহিব ধৰিছে। তাত অশান্তিৰ কাৰণে জীৱন বা সা-সম্পত্তিৰ ভয়ত পলাই আহিব ধৰিছে আৰু সীমামূৰীয়া অঞ্চলত দুৰ্য্যোগৰ সৃষ্টি কৰিছে ; বহুতো ঠাইত অস্থায়ী ঘৰ নিৰ্মান হৈছে আৰু সেইবিলাকত আশ্ৰয় লৈছে; কিন্তু তাৰ পৰিবৰ্ত্তে আমাৰ চৰকাৰে এনেদৰে শান্তিপূৰ্ণ বুলি প্ৰচাৰ কৰিছে। এইদৰে হলে গণতন্ত্ৰৰ মানদণ্ড আৰু সমাজবাদৰ কাৰ্য্যক্ৰম আৰু ১০০ বছৰ পিচুৱাই যাব।

কৃষি উদ্যোগৰ সম্বন্ধে লিখিছে যে জল-সিঞ্চনৰ বাবে আঁচনি লোৱা হৈছে আৰু বৰ সুন্দৰকৈ লিখিছে যে হওঁ হওঁ অৱস্থাত আছে। কিন্তু ল'ৰা হবনে ছোৱালী হ'ব কব নোৱাৰো। চন্দ্ৰপুৰত বিজুলী বাতি জ্বলো জ্বলো অৱস্থাত আছে। মই কৈছোঁ চন্দ্ৰপুৰত বিজুলী বাতি নজ্বলে ; তাৰ পৰিবৰ্তে দেশ জ্বলিব।

আনফালে Regional imbalanceৰ কথা কৈছে; কিন্তু আমাৰ জন-জাতীয় কৃষক সকল আৰু তপশিল ভুক্ত লোকসকলে মাটিহীন অৱস্থাত আছে আৰু বেকাৰ অৱস্থাত ঘুৰি ফুৰিব লগীয়া হৈছে। সেই কাৰণে মই চৰকাৰক কৈছো সিংহ নেদেখা মানুহে সিংহৰ নিচিনা ছবি তুলিছে। ইয়াত অসমৰ সমস্যা বিলাক নিয়াৰিকৈ দেখুৱাৰ পৰিবৰ্তে ভুল প্ৰতিচ্ছবি দেখুওৱা হৈছে।

উদ্যোগৰ কথাত কৈছে যে "পলিষ্টাৰ ফাইবাৰ" D.M.T আদিৰে অসমখন ভৰাই দিব ; কিন্তু যি খিনিৰে ভৰাই পেলাব, তাৰ বাবে আপোনালোকৰ ইয়াত বেচম আছেনে ? ইয়াৰ ওপৰিও তেখেতে কেইটামান "কাগজৰ কল" প্ৰতিষ্ঠা কৰা কথা কৈ নিবনুৱা সমস্যা সমাধানৰ কাৰণে গৰ্ব্ব কৰিছে আৰু ভাৰত চৰকাৰৰ নিবনুৱা সমস্যাও ইয়াৰ জৰিয়তে সমাধান কৰিব বিচাৰিছে। মই কৈছো কেৱল নিবনুৱাৰ পৰা বনুৱা হৈছে আমাৰ শ্ৰীভাগৱতী দেৱ নিবনুৱা কমিটিৰ সভাপতি হৈ। তাৰ বাহিৰে একো সমস্যাই সমাধান হোৱা নাই। তাৰ বাহিৰেও আমাৰ

শিক্ষিত ডেকা সকলক Auto Rickshaw চলাবলৈ দি নিবনুৱা সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিছে। তাৰ পাচত কব Auto-Rickshaw বেয়া Rickshaw চলাওক; তাৰ পাচত কব ডোলাভাৰী কৰি নিবনুৱা সমস্যা সমাধান কৰা— আমাৰ মন্ত্ৰীসকলক দোলাৰে কঢ়িয়াই নিব। এইদৰে যদি আপোনালোকে নিবনুৱা সমস্যা সমাধান কৰিবলৈ বিচাৰিছে; তেন্তে মই কৈছোঁ আপোনালোকে সমাজবাদৰ কথা কোৱাটো ভুল হৈছে। কাৰণ আমাৰ হিচাপত যোৱা ১৯৬৭ চনৰ চাৰে তিনি লাখ (৩,৫০০০০) ভোটাধিকাৰ অসমৰ এই তালিকাৰ পৰা বাদ পৰিছে। এই তালিকাত ১৯৬৭ চনৰ চাৰে তিনিলাখ ভোটাধিকাৰৰ নাম নাই। গতিকে মই আপোনালোকক কৈছোঁ যে আকৌ এবাৰ চিন্তা কৰি চাওঁক আৰু আপোনালোকৰ যদি সম্প্ৰদায়িকতাৰ ভাব আছে তেন্তে তাৰ কাৰণে আপোনালোকে সাৰি যাব নোৱাৰে আৰু ইলেক্‌চন বিভাগ সাৰি যাব নোৱাৰিব।

মই আচৰিত হৈছোঁ এইটো কাৰণে যে কোনো কোনো অঞ্চলত য'ত সংখ্যা লঘিষ্ঠ সম্প্ৰদায় একগোট হৈ আছে তালৈ আপোনালোকৰ কৰ্মীসকল বেছি ভাগেই যোৱা নাই। আমি এজন মানুহক লগ পাইছিলোঁ তেখেত হ'ল মৌলানা যি ধৰ্মৰ কামত নিযুক্ত থাকে তেখেতক থাকে তেখেতক নিৰ্বাচনৰ কামত খটুৱাইছে। তেনেকুৱা বহুতো কাৰ্য্য আমি দেখিছোঁ।

১৯৫২ চনৰ পৰাই মই প্ৰতিদ্বন্দ্বিতা কৰি আহিছোঁ; কিন্তু এইবাৰৰ দৰে কোনো বছৰেই এনেকুৱা কাৰ্য্য দেখা নাই। সকলোৱে জানে যে বৰপেটা, ধুবুৰী আদিত ভালদৰে নিৰ্বাচন হোৱা নাই। মিজোপাহাৰত ১৪৪ ধাৰা জাৰি কৰিছে। আৰু এটা কথা মই বৰ দুখেৰে সৈতে কবলৈ ওলাইছোঁ যে সেইটো হ'ল নগালেণ্ডৰ লগত সীমা বিবাদৰ সমস্যা যিটোৰ কথা আজি ৰাতিপুৱা বেলাত Question Hour ত আলোচনা হৈ গৈছে। তাত অৰ্থাৎ দৈয়াং বিজাৰ্ভত যি সকলে আজি ১৮/২০ বছৰে বসতি কৰি আহিছে তেওঁলোকক উচ্ছেদ কৰিছে আৰু তেওঁলোকৰ ঘৰ-দুৱাৰ হাতীৰে ভাঙি চূৰমাৰ কৰি পেলাইছে। উচ্ছেদ কাৰ্য্যত নানা বিভৎসতা সৃষ্টি কৰিছে।

( Voices মাটিখিনি উচ্ছেদ কৰি ৰাক দিলে ............... নগাকেই দিছে ) কিন্তু সভ্য কংগ্ৰেছ চৰকাৰে সভ্যতাৰেহে উচ্ছেদ কাৰ্য্য চলাব লাগিছিল; তাৰ ঠাইত অসভ্যতাৰ আচৰণ সৃষ্টি হ'ল।গতিকে মই কৈছোঁ আপোনালোকে এই উচ্ছেদ নীতি

পৰিবৰ্তন কৰক। মানুহৰ ঘৰত হাতী দি লগাই জুই লগাই দি আৰু পকা শস্যবোৰ আনি নীলাম কৰি দিয়া এনেধৰণৰ কাৰ্য্য নকৰাকৈ উচ্ছেদ কৰিলে ভাল হয়।

কোনো কোনো বনাঞ্চলত ফৰেষ্টাৰৰ পৰা মাননী লৈ খেতি কৰিবলৈ দিছে। অৱশ্যে দৈয়াং ৰিজাৰ্ভৰ কথা নেজানো; যিহেতু মই তালৈ যোৱা নাই। কিন্তু নৰৈ ৰিজাৰ্ভত তেনেকুৱা কাৰ্য্য বহুতো দেখিছো। গতিকে এইবোৰ দেখি মই পুনৰ কৈছো "আপোনালোকে ভালদৰে চিন্তা কৰক, ভূৱা সমাজবাদী ধ্বনি পৰিবৰ্তন কৰক। নিৰ্বাচনত জয় পৰাজয়ৰ কথা নাভাবিব; জয় পৰাজয় There is "nothing fair or foul in love and war." এই কথা নিৰ্বাচনত নাখাটে। সেই কাৰণে "নাথ পায়ে" কৈছিল যে ৫ জন বা ১০ জন হলেও নিৰপেক্ষ দৃষ্টিৰে জন সাধাৰণৰ উন্নতিৰ কাৰণে সমাজবাদৰ নীতি প্ৰচাৰৰ কাৰণেই নিৰ্বাচনত উঠিব লাগিব; জয়ৰ আশাৰে নহয়। যোৱা ২৫ তাৰিখে চলিহা দেৱৰ মৃত্যু হোৱাৰ লগে লগে আমাৰ দেশত ক্ৰমোন্নতিৰ ঠাইত দুষ্ট শক্তিয়ে গ্ৰাস কৰিছে। গতিকে মই কৈছো স্বাৰ্থান্ধ হৈ দেশক বিক্ৰি নকৰিব আৰু জনসাধাৰণক বিপথে চলাই নিবলৈ চেষ্টা নকৰিব। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীহীৰালাল পাটোৱাৰী: মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত কেইটামান কথা উল্লেখ কৰা নাই। প্ৰথমতে ৰাজ্যপালৰ ভাষণত জন-জাতীয় আহোম, টাই, ৰাজবংশী, কোঁচ আদিৰ কথা সমূলি উল্লেখ কৰা নাই। অসমত বসবাস কৰা বিভিন্ন সংখ্যালঘু সম্প্ৰদায়ৰ কথা উল্লেখ কৰা নাই। চাহবাগানৰ শ্ৰমিকৰ কোনো কথা উল্লেখ নাই। গাওঁ-ভূই, ভাৰতীয় সংবিধান মতে ৰাজ্যৰ দায়িত্ব পালন কৰাৰ কথা উল্লেখ নাই। আজি মই অনুভৱ কৰিছো ১৯৪৭ চনতে ভাৰতবৰ্ষ যেতিয়া স্বাধীন হয় সেই সময়ত মানুহৰ এটা ইচ্ছা আকাংখ্যা আছিল যে আমি সকলোৱে সমানে স্বাধীনতাৰ যুদ্ধত অংশ গ্ৰহণ কৰিছো আৰু সকলোৱে সমানে তাৰ ফল ভোগ কৰিম। এই পৰম্পৰাৰ বিশ্বাসত ভাৰতবৰ্ষ এখন দ্বিতীয় বৃহত্তৰ ৰাষ্ট্ৰ হিচাবে গঠিত হ'ল। অৱশ্যে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ সময়ত তিনি ভাগত বিভক্ত আছিল পাকিস্তান, ভাৰতবৰ্ষ আৰু দেশীয় ৰাজ্য সমূহ। অৱশ্যে ৰাজ্যসমূহ ভাৰতবৰ্ষৰ লগতে লগ লাগিল এই কাৰণেই যে ভাৰতীয় সামাজিক জীৱন সংগঠিত হওঁক, নিৰাপত্তা আৰু সুস্থ-সবল পৰিবেশ সৃষ্টি হওঁক। আজি লোকসংখ্যা হিচাবে ভাৰতবৰ্ষৰ স্থান পৃথিৱীৰ ভিতৰত তৃতীয় আৰু গড় হিচাবে

পৃথিৱীত দ্বিতীয় স্থান অধিকাৰ কৰিছে। এই বৃহত্তৰ দেশৰ শাসকসকলৰ দায়িত্ব শাসকসকলে উপলব্ধি কৰা আৱশ্যক। স্বাধীনতাৰ বাবে ইংৰাজৰ লগত যুদ্ধ কৰোঁতে লাখ লাখ কোটি কোটি টকা এই নেতাসকলক ঘোচ দিয়া হৈছিল। কিন্তু নেহেৰু আদি নেতাসকলে এই ঘোচ লোৱা হলে আজিও দেশ পৰাধীন হৈ থাকিল হেতেন। সেই টকাৰ প্ৰতি মায়া মমতা নথকা বাবেই আজি দেশ স্বাধীন হ'ল। কিন্তু দুৰ্ভাগ্যৰ কথা দেশ স্বাধীন হোৱা ২৩ বছৰৰ পাছত সেই নেতাসকলৰ মনোবৃত্তি পৰিবৰ্ত্তন হ'ল কিয়? আজি এনে এজন মানুহ নাই যি নেকি দুৰ্নীতিত লিপ্ত হোৱা নাই। আনকি আজি দেশৰ কংগ্ৰেছ নেতাসকলৰ ভিতৰতো এনেকুৱা এজন নেতা নাই যিজন ওতঃপ্ৰোতঃ ভাৱে দুৰ্নীতিৰ লগত লিপ্ত নাই। এই যে প্ৰেৰণাটো কৰ পৰা আহিল মই কোনো ব্যক্তিগত মানুহক আক্ৰমণ কৰা নাই ভোকাতুৰ মানুহক ভোক লাগিলে খাবলৈ দিব লাগে। কিন্তু বেছিকৈ খালে অজীৰ্ণ হয়। অতীজৰে পৰা ভাৰতবৰ্ষ নীতিগত ভাৱে শাসিত হৈছে। আৰু কোনো ধৰণৰ নীতিৰ অভাৱ ভাৰতত ঘটা নাই। তেনেস্থলত আজিৰ নেতাসকলে কিছুমান নীতি আনিলে আমেৰিকাৰ পৰা, কিছুমান পাকিস্তানৰ পৰা চীনৰ পৰা। ইয়াৰ পৰা এনেকুৱা এটা ভাবৰ সৃষ্টি কৰিলে যেন ভাৰতবৰ্ষত নীতিয়েই নাছিল। আজি ভাৰতবৰ্ষত এনেকুৱা নীতি প্ৰবৰ্ত্তন কৰিলে যে হিন্দুসকলে মন্দিৰ মূৰ্ত্তি ভাঙি পেলাই দিব লাগে। ইন্দিৰা গান্ধীয়ে নিৰ্ৱাচনৰ সময়ত ইন্দিৰা নেহেৰু গান্ধী নাম লগাই ললে নিয়ম হলে বাপেকৰ নামটো পিছত লগাব পাৰে। আজি ভাৰতৰ ৫০ কোটি লোকৰ ভিতৰত ৪০ কোটি লোক সকলো সময়ত ধৰ্ম্ম নিৰপেক্ষ হৈ কালাতিপাত কৰিছে আৰু ভাৰতবৰ্ষত যি নীতি আছিল সেই নীতি আছিল সেই নীতি অনুসাৰে "বসুধৈৱ কুটুম্বকম। আজি ভাৰতত জাতি ধৰ্ম্ম কোনো সাম্প্ৰদায়িক সংঘৰ্ষ ইতিপূৰ্ব্বে কোনো দিনে হোৱা নাই কিন্তু এতিয়া ভাইৰ লগত ভাইয়ে চুৰি মাৰিছে এইয়া হ'ল ভাৰতবৰ্ষৰ ৰাজনীতি। আগতে ভাৰতবৰ্ষই কিয় পৃথিবীৰ সকলো লোকে জানে যে সুস্থ ৰাজনীতি হ'ব লাগিলে দেশত থাকিব লাগিব Internal Unity আৰু দেশৰ ৰাজনীতি অক্ষুন্ন ৰাখিবলৈ তৈয়াৰ কৰিব লাগিব External disunity কিন্তু আজিৰ ভাৰতবৰ্ষৰ নেতাসকলে ৰাজনীতি কৰিছে Internal disunity আৰু পৃথিবীত Unityৰ slogan গাই ফুৰিছে। ই আকৌ ভাৰতবৰ্ষৰ কি ধৰণৰ নীতি।

( কোৰাম নাই )

গতিকে অতীজৰে পৰা ভাৰতত যি নীতি আছিল সেইটো নষ্ট কৰিলে কোনে ? কেৰেলাত সাম্প্ৰদায়িক ভিত্তিত দল গঠন কৰিছে আৰু ইয়াৰ দ্বাৰা তেওঁলোক একতাবদ্ধ হ'ব। এইট্ৰোৱে হৈছে কংগ্ৰেছ চৰকাৰৰ নীতি। আৰু কৈ ফুৰে This man or that man making communal disunity এই শাসক কংগ্ৰেছ দলৰ নেতা প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ লৰাক ২৫ কোটি টকা দি ২৫ জনৰ ঠাইত ২৬ জন কৰিব লাগিছে। ইয়াৰ অৰ্থটো হ'ল সমাজবাদৰ আদৰ্শ। কাৰণ এইগৰাকী প্ৰধান মন্ত্ৰীয়ে সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়িছে সেই ক্ষেত্ৰত তেখেতৰ আটাইতকৈ বেছি টকা থাকিব লাগিব— তেতিয়াহে সমাজবাদ হ'ব। আমাৰ চৌধুৰী ডাঙৰীয়াই কৈছে নিৰ্ব্বাচনৰ সময়ত কি প্ৰচাৰ হয় ? এই নিৰ্ব্বাচনেই আটাইবোৰ Disunity কিন্তু মই কওঁ যে ভাৰতৰ্ষত কেতিয়াও হিন্দু মুছলমানৰ Disunity নাছিল। মহম্মদ চাগলাই যেতিয়া ভাৰতীয় লোকৰ একতাৰ কথা কৈছিল তেতিয়া সকলোৱে কৈছিল যে তেখেতে মুছলমান নহয় আজি ভাৰতবৰ্ষত মানুহে মানুহক মাৰিব বিছাৰিছে। পশ্চিমবঙ্গত নেতাসকলে নিজকে নিজে মৰা-মাৰি কৰিছে এইবিলাক হ'ল কিহৰ পৰা ? এই বিলাক শিক্ষিত নিবনুৱাৰ কাৰণে মই আগতে কৈ আহিছো যে আমাৰ শিক্ষা পদ্ধতিৰ আমোল পৰিবৰ্ত্তনৰ দৰ্কাৰ। সেয়েহে শিক্ষাৰ মাজেৰে ডেকা সকলক শিকাব লাগিব শ্ৰমৰ মূল্য, লোকসেৱা, কিন্তু আজি হৈছে লোকৰ শ্ৰমৰ প্ৰতি সমতাহীন উদ্দেশ্যহীন ব্যৰ্থতাৰ ডাৱৰে ঢাকি ধৰিছে। যদি এই শিক্ষাৰ পৰিবৰ্ত্তন হলহেতেন, আজি স্বাধীনতাৰ ২৩ বছৰৰ পাছতো আমাৰ ডেকাসকলে প্ৰেমৰ আদৰ্শ দেখুৱালেহেতেন তেন্তে শিক্ষিত নিবনুৱাৰ সৃষ্টি নহলহেতেন।

ভাৰতীয় শিক্ষানীতি পৰিবৰ্ত্তন কৰক। আজি যদি স্বাধীনতাৰ পিচত ভাৰতবৰ্ষত দেশপ্ৰেমমূলক শিক্ষা দিলেহেঁতেন, শ্ৰমৰ প্ৰতি আগ্ৰহ থকা শিক্ষা দিলেহেঁতেন বা জ্ঞানমুখী শিক্ষা হলহেঁতেন তেতিয়াহলে আজি আমাৰ এনেকুৱা নিবনুৱা সমস্যা নহলহেঁতেন। নিজে নিজেই আমাৰ ডেকা লৰাই চাকৰি বিচাৰি ললেহেঁতেন। যিবিলাক দেশপ্ৰেমী তেওঁলোকে চাকৰি নিবিচাৰে। কাৰণ চাকৰি মানেই পৰাধীন। পঞ্জাৱত পণ্ডিত নেহেৰুৱে এজন বৃটিছক তাকে কৈছিল।

আজি লক্ষ্য কৰক পঞ্জাৱে কিমান উন্নতি কৰিছে। তাৰ লৰা বিলাক

নিজে নিজেই আগবাঢ়ি আহিছে। কিন্তু ভাৰতবৰ্ষৰ অন্য ঠাইত মাত্ৰ দেশ বিভাজনৰ কথা ৰচনা হৈছে।

আজি চৰকাৰে যি কামতেই হাত দিছে আজি তাতেই বিফল হৈছে। আজি পশ্চিমবঙ্গত কি হৈছে? তাত গান্ধীজীৰ অহিংস নীতিকেই বিসৰ্জ্জন দিছে। আজি যেতিয়া পৃথিৱীৰ বিভিন্ন দেশত অহিংসা নীতিৰ বিষয়ে অধ্যয়ন কৰি আছে সেইসময়ত ভাৰতবৰ্ষত সামাজিক জীৱনৰ পৰা, ৰাজনৈতিক জীৱনৰ পৰা অহিংসা নীতি নিৰ্ম্মূল হৈ গৈছে। আজি চৰকাৰে Violence ৰ দ্বাৰা শাসন কৰিব বিচাৰিছে। সেই কাৰণেই বছৰি বছৰি পুলিচ বাজেটত ইমান টকা ধৰিছে। আজি চৰকাৰে দমন নীতিৰে দেশ শাসন কৰিব বিচাৰিছে।

আমাৰ দেশৰ সকলো লোকেই গীতাৰ কথা জানে। এই গীতা লিখিছে সকলো মানুহৰ কাৰণেই। ইয়াত মুচলমান খ্ৰীষ্টান সকলোৱেই ভাগ লব পাৰে। কিন্তু আজি যদি Violenceৰ দ্বাৰা দেশ শাসন কৰিব বিচাৰে তেতিয়াহলে বৰ আচৰিত কথা হব। আগতে শ্ৰীকৃষ্ণই খেতিয়কৰ লগত, ৰজাৰ লগত বিপ্লৱ কৰিছিল। সেই সময়ত যদি ধনতন্ত্ৰৰ ব্যৱস্থা থাকিলহেঁতেন তেতিয়াহলে ইয়াতকৈও Reactionary শক্তিৰ বৃদ্ধি পালেহেঁতেন।

Mr. Deputy Speaker : There is no quorum. I do not think that we should every time ring the quorum bell calling the Members. I, therefore, adjourn the House till 10 A.M. on 15.3.71. Shri Patwary will continue.

## ADJOURNMENT

The Assembly then adjourned till 10 A.M. on Monday, the 15th March, 1971.

Shillong
The 10 Mrach, 1971

U. Tahbildar,
Secretary,
Legislative Assembly, Assam.

—×—